Centre for Studies in Social Sciences, Calcutta

Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

Record No: 2006/165	Language of work: Assamese
Author (s) / Editor (s): Lakshinath Bezboruah	
Title: বাঁহী	
Transliterated Title: Baāhai	
Translated Title:	
Place of Publication: Kolkata (Calcutta)	Publisher: Editor.
Year: 1913, 14, 15, 16, 17,	Edition:
Size: 21 cms	Genre: Magazine
Volumes: IV, V, VI, VII, VIII	Condition of the original: Brittle.
Remarks: 1st 2 volumes reprinted in the year 1999.	
Holding institute: Assam Sahitya Sabha, Jorhat	Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006.

Microfilm Roll No:	From gate:	To gate:

৮|৬ অষ্টম বছর — মাঘ সংখ্যা

বিষয়	পৃষ্ঠা
নতুন বছর	২৪১
সম্পাদকের চরকা	২৪২
শ্রী কৃষ্ণ-কথা	২৪৬
মহাত্মা যোগেন বাগচী	২৫১
বন্ধুবরের চিঠি	২৫৭
মুরারীর টোকা	২৬৩
বরদের চিন্তা	২৬৫
বিলাতের কথা	২৬৭
আমাদের পাটের রোজগার	২৭২
মোড়লির নায়	২৭৩
প্রশ্ন	২৭৭
নিবেদন	২৭৯
~~আশ্রমের খবর~~	
পুরনো আমাদের খবরানি	২৮০
গদ্য কবিতা	২৮২
বাজনি	২৮৬

নতুন বছৰ।

নতুন বছৰ নতুন সঙ্গীত
উঠিছে জগত জুৰি।
নবীন উলাহে নব বৰষক
আনো আবাহন কৰি ॥

কুল কুল সুৰে বইছে তটিনী
সদায় সাগৰ মাজ।
দিছে সোঁৱৰাই নতুন বছৰে
আপোন আপোন কাজ ॥

শত শত কণ্ঠে গাই প্ৰভু গুণ,
হয় তাৰ প্ৰতিধ্বনি।
গভীৰ নিজম জগতৰ মাজে
উঠিছে নব ৰাগিনী ॥

পুৰণি বছৰে নিৰাশাত বুৰি
জগতত মেলানি ললে।
প্ৰকৃতি মানুহ বনৰ চৰায়ে
বিদায় সঙ্গীত গালে ॥

ন ন [illegible] পিক্কি-উৰি লই
মিলে যত ভাই ভনী।

ভৱিষ্য সুখৰ আশাৰ বেণুটি
শুনো যেন ৰিণি ৰিণি ॥
প্ৰবাসক এৰি আহে ঘৰাঘৰি
যত প্ৰবসুৱা জনে।
লৰা তিৰী সৈতে মিলে আহি সবে
বিহুৰ আনন্দ দিনে ॥
তথু চৰণত সবল গোহাৰি
কৰোঁ মই ভগৱান।
ভাই বন্ধু যত আছে সংসাৰত
কৰা সুখে বিহুবান ॥

শ্ৰীযমুনেশ্বৰী শইকীয়া।

সম্পাদকৰ চৰা।

বিহাৰৰ লেফ্‌টিনেণ্ট গৱৰ্ণৰ গেইট চাহাবে সম্প্ৰতি চাইবাচাত (chaibassa) এটা বক্তৃতা দিছিল, তাৰ সাৰমৰ্ম আমি তলত দিলোঁ।—

ওচৰ ভৱিষ্যতত ভাৰতৰ ভিতৰত সিংহভূম বিভাগ ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰ হব ভাৰতৰ সম্রাট অশোকৰ সময়ত বেহাৰ হীৰা, সোণ, তাম, আৰু লোৰ নিমিত্তে প্ৰসিদ্ধ আছিল। অশোকে খনিজ পদাৰ্থৰ নিমিত্তে বিশেষকৈ এটা কাৰ্য্যবিভাগ পাতি-ছিল, আৰু সেই বিভাগৰ এজন মন্ত্ৰী বিষয়া (Minister of Mines) তেওঁৰ আছিল। সেই মন্ত্ৰীজনৰ তলত অনেক mining engineer আৰু mining inspectors আছিল, বিষোৱৰ তলত, খনিত কাম কৰিব জনা হেজাৰ হেজাৰ মানুহ আছিল। অশোকৰ সময়ৰ পালীগ্ৰন্থ এখন, মহীসুৰৰ গৱৰ্ণমেণ্টৰ, সংস্কৃত জনা অধ্যাপক বিষয়া এজনে সম্প্ৰতি অনুবাদ কৰিছে, সেইখনত সেই সময়ত খনিজ দ্ৰব্যবোৰ কেনেকৈ উলিওৱা হৈছিল, আৰু কি প্ৰণালীৰে তাৰ উন্নতি সাধন কৰা হৈছিল, সেইবোৰ বিষয়ে তন্ন-তন্নকৈ বিৱৰণ দিয়া আছে। ভাৰত গৱৰ্ণমেণ্টে ভাৰতবৰ্ষত থকা খনিজ বস্তু-সম্পদবোৰলৈ এতিয়াহে লাহে লাহে চকু দিছে।

বেহাৰত যেনেকৈ আৰু যিমানকৈ লো-মাটি (iron ore) আছে, ভাৰতৰ আন কতো নাই। পুৰণি কালত ভাৰতীয়সকলে যে এই লো গলাই ডাঙৰকৈ কাম কৰিছিল, তাৰ চিন আৰু প্ৰমাণ বেহাৰত ভালেমান পোৱা গৈছে। পুৰণি কলীয়া ভাৰতীয়সকলে নাগ মাটিৰ (কয়লা coal) ব্যৱহাৰ নাজানিছিল যেন দেখা যায়, কাৰণ ৰাণীগঞ্জৰ আৰু জৰিয়াত ইমান coal fields নাগ-মাটিৰ খনি আছে, কিন্তু তেওঁলোকে তাৰপৰা নাগমাটি উলিয়াই ব্যৱহাৰ কৰাৰ একো চিন নাই। তেন্তে কেনেকৈ লো গলোৱা কাম তেওঁলোকে ইমান ডাঙৰকৈ কৰিছিল, এই প্ৰশ্ন ওলায়। যতে লো সৰহকৈ পোৱা গৈছে, তাতে স্বভাৱতে সৰহকৈ বাঁহৰ জাৰ হয়। বাঁহৰ এঙ্গাৰেৰে আজিকালিও ভাৰতবৰ্ষৰ কমাৰবোৰে লো গলায়। বাঁহৰ এঙ্গাৰেৰে পুৰণিকলীয়া ভাৰতবাসীয়েও সেই কাম কৰিছিল।

***

ওপৰত উল্লেখ কৰা পালীগ্ৰন্থত লেখিছে যে ২০০ পুঠি (অৰ্থাৎ এশ একৰ) বাঁহনিয়ে ১০০ খন কমাৰশালক সদায় খোৰাক যোগাই থাকিব পাৰে; আৰু এই কমাৰশালবোৰে দিনেপতি এহেজাৰ পাউণ্ড লো "ঢালাই" কৰি উলিয়াব পাৰে। কাটি ওৰ পেলোৱা বাঁহৰ জোপা প্ৰত্যেক তিনি বছৰে তিনি বছৰে আকৌ বাঢ়ি আগৰ নিচিনা হয়; সেইদেখি পুৰণি ভাৰতৰ কমাৰবোৰ লো ঢলা কামৰ নিমিত্তে এঙ্গাৰ বিচাৰি দূৰলৈ যাব লগীয়াত নপৰিছিল। আমি জানো, যে পুৰণি ভাৰতত লোৰ ব্যৱহাৰ সৰহ আছিল; যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ আৰু ঘৰুৱা কামৰ নিমিত্তে দা, কুঠাৰ, কটাৰী আদি অস্ত্ৰ প্ৰস্তুত কৰিবলৈ লোৰ আৱশ্যক হৈছিল। আজিকালি যত নাগ-মাটি পোৱা টান, অথচ লো-মাটি যথেষ্ট, তেনে ঠাইত পুৰণি ভাৰতীয় কমাৰৰ এই প্ৰণালী ব্যৱহাৰ কৰা নহয় কিয়? সাধাৰণতঃ য়ুৰোপীয়সকলৰ ধাৰণা, যে তেওঁ-লোকে দেশীমানুহৰপৰা শিকিবলৈ একো নাই, আৰু এনে ধাৰণাৰ বশবৰ্ত্তী হৈয়েই তেওঁলোকে মানুহৰ হাজাৰ বছৰৰ বহুদৰ্শিতাৰপৰা ওপজা জ্ঞান আওহেলা কৰি দলিয়াই পেলাই য়ুৰোপীয় প্ৰণালীৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰে। চাকচীত টাটা কোম্পানীৰ লোৰ কাৰখানা হৱাপৰা, বেহাৰত যে বৰ বঢ়িয়া লো অপৰিমিত, আৰু সেই লোৱে যে ভাৰতৰ অভাৱ মোচন কৰিব পাৰে, সেই কথা আমাৰ মনত পেলাইছে।

***

অতীজৰপৰা ভাৰতবৰ্ষত তামৰ পাত্ৰৰ ব্যৱহাৰ চলি আহিছে। ভাৰতৰ ইমান-বোৰ মানুহৰ ব্যৱহাৰৰ নিমিত্তে যে কিমান তামৰ আৱশ্যক হৈ আহিছে, সেইটো সহজে অনুমান কৰিব পাৰি। উত্তৰ-বেহাৰৰ ৮৫ মাইল ঠাইত যি তামৰ খনি আছে, তাৰপৰা পুৰণিকালত সৰহকৈ তাম উলিওৱা চিন এতিয়াও অনেক আছে। অশোকৰ সময়ত এই খনিৰ তাম উলিওৱা হৈছিল, আৰু সেই উন্নতমনা সম্ৰাটে সেই কাৰ্য্য ভালৰ ৰকমে কৰোৱাইছিল। টুবলেকেনৰ (Tubalcain) বংশধৰ, কাঁহ পিতলৰ কাম কৰোঁতা অনেক মানুহ অশোকে চালডিয়াৰপৰা (Chaldea) অনাই বেহাৰৰ বৰাহভূমত পাতিছিল। সেই মানুহবোৰে খনিৰ তাম উলিয়াই গলাই পাটনালৈ পঠিয়াইছিল, আৰু পাটনাত তাৰে ঘটি বাটী আদি বাছন-বৰ্ত্তন প্ৰস্তুত হৈছিল। সেই মানুহবোৰক স্থানীয় মানুহে বৰাহ বুলিছিল, আৰু সিহঁত জৈন (Magians) আছিল। গিৰিডিৰ ওচৰৰ পৰেশনাথ পৰ্ব্বতত সিহঁতৰ দেৱমন্দিৰ আছিল। অশোকে এই মানুহবোৰৰ একোদল ৰাজপুতনা আৰু মহীশূৰৰ তামৰ খানিত কাম কৰিবলৈকো পঠিয়াইছিল, আৰু সেইবোৰৰ সতি-সন্ততিয়ে আজিলৈকে সেই ঠাইত থাকি তামৰ কাম কৰি জীৱিকা উপাৰ্জ্জন কৰিব লাগিছে। বৰাহভূমৰ তামৰ খনিৰ কাম আজিকালি "অষ্ট্ৰেলিয়ান কপৰ কোম্পানীয়ে" (Australian copper company) কৰিছে। তেওঁলোকে ৭০০ ফুট তললৈকে তেওঁলোকৰ কল (shafts) চলাইছে, আৰু পুৰণি কলীয়া খানিবোৰত কাৰ্য্য সফলৰূপে হব বুলি আশা হৈছে। বেহাৰ, গিৰিডি, জৰিয়াত নাগমাটিৰ খনিও অনেক আছে। অকল ৰামগড়তে ১২বিলিয়ন টন নাগমাটি পোৱা যাব বুলি থিৰ কৰা হৈছে। পুৰণি কালত ছোটনাগপুৰ হীৰাৰ নিমিত্তে প্ৰসিদ্ধ আছিল। পৃথিৱীৰ ভিতৰত সুন্দৰ সেউজীয়া হীৰা ইয়াত পোৱা যায়। দিল্লীৰ সম্ৰাট জাহেঙ্গীৰে ছোটনাগপুৰৰপৰা ১২,০০০ মোন হীৰা নিয়াইছিল। নীল-পাথৰ অৰ্থাৎ নীলকান্তমণি (sapphire) বৰাহভূমত বিস্তৰ পোৱা যায়। ডিউক-অৱ-ডিভনচায়াৰৰ হাতত আজিকালি যিডোখৰ অত্যুৎকৃষ্ট নীলকান্তমণি (sapphire) আছে, সেইডোখৰ আদিতে পুৰুলিয়াত পোৱা গৈছিল। কাঠৰ চন (spoon) তৈয়াৰ কৰা ডোম এটাই সেই ডোখৰ পায়, সেইদেখি তাৰ নাম ৰখা হৈছে "Sapphire of the wooden spoon।" বালিচন্দা (mica) ৰৰ উৎকৃষ্ট বিধৰ এই দেশৰ যতে ততে সৰহকৈ আছে; দুষ্প্ৰাপ্য columbite, radium, thorium ইত্যাদিও ইয়াত পোৱা যায়।

***

পুৰণি কালত ছোটনাগপুৰ আৰু উড়িষ্যাত প্ৰচুৰ পৰিমাণে সোণ পোৱা গৈছিল; ইমান সৰহকৈ পোৱা গৈছিল, যে পুৰীৰ সমুদ্ৰৰ বন্দৰত চীনা বেহেৰুৱা-সকলে ১১টা ৰূপ দি এটা সোণ সলাই লৈছিল। কলিকতাৰ যাদুঘৰত (museum) যিডোখৰ এটাইতকৈ বহুমূলীয়া সোণৰ লদা আছে, সেইডোখৰ বেহাৰৰপৰা নিয়া।

***

বোম্বাইৰ বিখ্যাত পাৰ্চী স্তাৰ জেমচেটজী জিজিভায়ে, ডিপ্ৰেচড্ ক্লাচৰ মিছন চোচাইটীৰ সভাপতিৰ আসনৰপৰা অলপতে দিয়া বক্তৃতাত কৈছিল—ভাৰতবৰ্ষৰ পাঁচ ভাগৰ এভাগ মানুহৰ গাত ওপঙা দিনৰপৰা "untouchable" অশুচি অস্পৃশ্য বুলি ছাব পৰে। সেই মানুহবোৰৰ জীৱন মলিনতা মাদকতা আদি পাপত অতিবাহিত হব লাগিছে, আৰু সভ্য জীৱন আৰু ভাল মানুহৰ সমাজৰপৰা এই মানুহবোৰ সম্পূৰ্ণ বাহিৰত। ভাল মানুহৰ ভাল সমাজৰ সম্পৰ্কলৈ এইবোৰ একেবাৰেই আহিব নোৱাৰে, সেইদেখি সভ্যতাৰ প্ৰভাৱৰপৰা সিহঁত বঞ্চিত। এই শ্ৰেণীৰ মানুহৰ ওপৰত যি দাগ বা কলঙ্ক দি সিহঁতক তলত হেঁচা মাৰি ধৰি ৰখা হৈছে, শাস্ত্ৰত তাৰ বিধান নাই। ফিজি আদি বিদেশলৈ পঠিওৱা কুলীৰ কথা লৈ আমাৰ ভাৰতীয় নেতাসকলে সভা-সমিতিত বক্তৃতা দি, কাকতত লেখি তল ওপৰ লগায়, কিন্তু তেওঁলোকৰ নিজৰ দেশতে ৬০ কোটী (million) মানুহ অস্পৃশ্য আৰু অপমানিত হৈ পৰি আছে, তালৈ কাৰো কাণসাৰ নাই। ভাৰতীয়সকলৰ ইমানবোৰ নিজৰ মানুহ এনেকৈ ইয়াত পৰি থকাটো জাতীয় জীৱনত এটা মহা কলঙ্কৰ কথা।

***

সুখৰ বিষয় যে আমাৰ আসামৰ "ডিপ্ৰেচড্ ক্লাচৰ" অৱস্থা ভাৰতৰ আন আন ঠাইৰ "ডিপ্ৰেচড্ ক্লাচৰ" অৱস্থাৰ সমান হীন নহয়। আমাৰ কৃপালু মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ উদাৰ ধৰ্ম্মই তেওঁলোকৰ বাহিৰ ভিতৰ শোধন কৰি থৈছে। এতিয়া তেওঁলোকক আমাৰ ভিতৰলৈ টানি অনা সাৰ্থীৰ ভাৰ আমাৰ ওপৰত। শঙ্কৰদেৱে সোণ খপি থৈছে, আমি তাৰে অলঙ্কাৰ গঢ়াই আমাৰ সমাজৰ অঙ্গত পিন্ধাই দি সমাজ সুশ্ৰী কৰাই আমাৰ কাম।

———

শ্ৰীকৃষ্ণ-কথা।

মহা সমুদ্ৰৰ দুই অৱস্থা। একেখন মহাসমুদ্ৰই কেতিয়াবা প্ৰশান্ত, কেতিয়াবা বিক্ষুব্ধ। সেইদৰে এক ব্ৰহ্মই কেতিয়াবা নিৰ্গুণ, কেতিয়াবা সগুণ। অনন্ত মহা সমুদ্ৰৰ নিবাত নিষ্কম্প প্ৰশান্ত অৱস্থালৈ মন কৰিলে ব্ৰহ্মৰ নিৰ্গুণ ভাবৰ উপমা পোৱা যায়, আৰু ঢৌৰে হোন্দালফোপ, ফেণে-ফোটোকাৰেৰে উথলি থকা অৱস্থালৈ মন কৰিলে ব্ৰহ্মৰ সগুণ ভাবৰ উপমা উপলব্ধি কৰিব পাৰি। নিৰ্বিশেষ নিৰ্বিকল্প নিৰুপাধি নিৰ্গুণ ব্ৰহ্মই মায়া উপাধি গ্ৰহণ কৰি তাৰে নিজক সঙ্কুচিত কৰি সবিশেষে সবিকল্প সোপাধি সগুণ হয়। লক্ষণ চিহ্ন বিশেষণৰ অতীত নিৰঞ্জন নিৰ্গুণ ব্ৰহ্মই যেন চিহ্নিত বিশেষিত হৈ অখণ্ড মণ্ডল বৃত্তৰ আকাৰ ধাৰণ কৰে আৰু তাৰ মাজত যেন কেন্দ্ৰৰ centre উদ্ভৱ হয়। ব্ৰহ্মৰ এই বিভাবেই সগুণ মহেশ্বৰ। শ্বেতাশ্বতৰ উপনিষদত এইদেখি কৈছে "মায়িনন্তু মহেশ্বৰং।" সূৰ্য্যক যেনেকৈ এডোখৰ পাতল আৱৰণেৰে আৱৰিলে সূৰ্য্যৰ তেজ কিছু পৰিমাণে সঙ্কুচিত হয়, মায়া-আৱৰণেৰে আবৃত হৈ ব্ৰহ্ম সেই দৰে কিছু পৰিমাণে সঙ্কুচিত হয়। সেইদেখি মায়াক শাস্ত্ৰত ব্ৰহ্মৰ যৱনিকা বুলিছে। সেইদেখি গীতাত ভগৱন্তই কৈছে "নাহং প্ৰকাশঃ সৰ্ব্বস্য যোগমায়া সমাবৃতঃ"। কংসই ভয়তে ভাবি ভাবি কৃষ্ণক নিজৰ গৃহলৈ আনিছিল; (কাৰণ ভগৱন্তৰ স্বভাৱেই তেনে, তেওঁক যি যেনে ভাৱে দৃঢ়ৰূপে আহ্বান কৰে, তেওঁ তাৰ ওচৰলৈ সেইভাৱে আহিবই—অৱশ্যে সি তেওঁক ৰাখিব পৰা নোৱৰাটো তাৰ attitude ব্যৱহাৰ আৰু receptiltity অৰ্থাৎ গ্ৰহণ কৰিব পৰা ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰে)। বসুদেৱ দৈৱকীয়ে নিজৰ দুখ বিমোচনৰ নিমিত্তে কাতৰ কণ্ঠেৰে কৃষ্ণক মাতি তেওঁলোকৰ ব্যাকুল আহ্বানৰ ডোলেৰে টানি তেওঁক তেওঁলোক থকা কাৰাগাৰ পোৱাইছিল। কিন্তু কংসই কৃষ্ণক ৰাখিব নোৱাৰিলে, কাৰণ কংসৰ হৃদয়-আকাশ কৃষ্ণচন্দ্ৰ উদয় হবৰ উপযুক্ত নহয়। বসুদেৱ দৈৱকীয়ে কৃষ্ণক পালে কিন্তু কৃষ্ণ চিৰস্থায়ী হৈ তেওঁলোকৰ কাষত থাকিবৰ নিমিত্তে কৃষ্ণচিন্তাৰে তেওঁলোকৰ হৃদয় তেতিয়াও সম্পূৰ্ণৰূপে পৰিপক্ক হোৱা নাছিল; কৃষ্ণ চকামকাকৈ তেওঁলোকৰ কাষত, তেওঁলোকৰ হৃদয়-আকাশত আবিৰ্ভাব হৈ আকৌ অন্তৰ্দ্ধান হল। কৃষ্ণ বিৰহ ব্যাকুলতাৰ অনিলেৰে পৰিশোধিত হৈ সেই অনিলতে পাপ-মেঘ দূৰীভূত হলে হে তাত কৃষ্ণ-চন্দ্ৰৰ স্থিৰ প্ৰকাশ

হয়। ভক্ত কবিয়ে এই আহকালীয়া অৱস্থা অনুভৱ কৰিহে এই দৰে গাইছিল—

"মাঝে মাঝে তব দেখা পাই,
চিৰদিন কেন পাই না?
কেন মেঘ উঠে হৃদয়-আকাশে,
তোমাৰে দেখিতে দেয় না।"

কৃষ্ণ দৈৱকী বসুদেৱৰ আগত আৱিৰ্ভাব হৈয়েই গোকুললৈ গল; বসুদেৱ দৈৱকীক সেই দৰে তেওঁ কৃষ্ণচিন্তা কৃষ্ণধ্যান আৰু কৃষ্ণৰ নিমিত্তে ব্যাকুলতাৰ অৱসৰ দি তেওঁলোকৰ হৃদয় শোধন কৰি নিৰ্ম্মল কৰি দিলে। কৃষ্ণই ভক্তক এনে দৰেই কৃপা কৰে। কৃষ্ণ কংসৰ আয়ত্বৰ ভিতৰতে কাৰাগাৰতে অৱতাৰ হল, কিন্তু কৃষ্ণক কংসই দেখিবলৈ নেপালে, ধৰিব-চুব নোৱাৰিলে। কংসই কাক দেখিলে, কাক ধৰিলে-চুলে? যোগমায়াক। পাপৰূপী কংসই কৃষ্ণক দেখিবলৈ নোপোৱাটো স্বাভাৱিক নহয় নে? নিশ্চয় স্বাভাৱিক; কাৰণ পাপীৰ নিমিত্তে, অভক্তৰ নিমিত্তে,—কৃষ্ণই কৈছে যে তেওঁ "নাহং প্ৰকাশঃ সৰ্ব্বস্য যোগমায়া সমাবৃতঃ"। পাপী কংসই যোগমায়াক বধ কৰিবলৈ শিলত এচাৰ মাৰিলে, কিন্তু যোগমায়া তাৰ আগেয়ে হাতৰপৰা পুলকি ওচি গল। মায়াক বিনাশ কৰা কাম পাপীৰ নহয়, অভক্তৰ নহয়; পাপীয়ে মায়াৰ আৱৰণ ভেদ কৰি মায়া-বন্ধন কটাই কৃষ্ণ দৰ্শন স্পৰ্শন সুখৰ অধিকাৰী কেতিয়াও হব নোৱাৰে। মায়া কৃষ্ণৰ ঐশীশক্তি; কৃষ্ণৰ ভকতেহে কৃষ্ণৰ কৃপাত মায়াৰ হাত এৰাই কৃষ্ণক পাব পাৰে। কাৰণ কৃষ্ণপাদপদ্মসেৱী ভকতে কৃষ্ণৰ চৰণত ধৰি কাতৰ ভাৱে কৃষ্ণক কাকূতি কৰে, মায়াৰ বন্ধনৰপৰা তেওঁক মুকলি কৰি দিবলৈ;—সেইদেখি কৃষ্ণৰ ভকতে উপদেশ দিছে—

"যাৰ মায়া পাশে বন্দী হয়াছ পামৰ মন,
তান দুই চৰণত ধৰ।"—ঘোষা।

যিজনৰে সৃষ্টি মায়া সেইজনেই তাক গুচাই নিদিলে আৰু কোনে গুচাই দিব? যি মায়া বন্ধন কৰিছে সেইজনে হে মায়াক নিধন, আৰু সেইজনৰ কৃপাত সেইজনৰ ভকতে হে মায়াক বা যোগমায়াক নিধন কৰিব পাৰিব; কংসৰ সাধ্য কি? মায়াক যোগমায়া বোলে এইবাবে, যে নিৰ্গুণ ঈশ্বৰে মায়াৰে সঙ্কুচিত হৈ, আবৃত হৈ, সীমাবদ্ধ হৈ তেওঁৰ সৃষ্ট জীৱাত্মাৰে যোগ অৰ্থাৎ যুক্ত হব পৰা হয় ইয়াৰ

দ্বাৰাই। অৰ্থাৎ জীৱই ঈশ্বৰক পাবৰ নিমিত্তে ঈশ্বৰৰ ঐশীশক্তি মায়াৰ জখলাইদিহে উঠি তেওঁৰ ওচৰলৈ যাব পাৰে। তেওঁৰ কৃপাত তেওঁক লাভ কৰিলে আৰু মানুহলৈ মায়া নাথাকে, কাৰণ আৰু তাৰ আৱশ্যকতা নাই। নিৰ্গুণ ব্ৰহ্মই নিজৰ মায়াৰ আৱৰণেৰে নিজক আবৃত সঙ্কুচিত কৰি সগুণ ব্ৰহ্ম বা মহেশ্বৰ হৈ স্ৰজন পালন আৰু সংহাৰ কৰে—"মায়িনন্তু মহেশ্বৰং। ভক্তই তেওঁক আৰু বিশেষকৈ পাবৰ নিমিত্তে তেওঁ নিজক আৰু সঙ্কুচিত সীমাবদ্ধ কৰি "মানুষীতনুং" ধাৰণ কৰি ভক্তৰ হৃদয় অভিৰাম কৰি ভক্তৰ জন হৈ অৱতাৰ হয়। ভক্ত আই দৈৱকীৰ কোলাত তেওঁ সেই বাবেই বালগোপাল কৃষ্ণৰূপে আবিৰ্ভাৱ:—কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ।" কীৰ্ত্তন।

ওপৰৰ এই কেখাৰ digression অৰ্থাৎ আজিৰ প্ৰবন্ধৰ মূল কথাৰপৰা আঁতৰাৰ পিছত আকৌ তালৈ যাওঁ।—

যস্তূৰ্ণনাভ ইৱ তন্তুভিঃ প্ৰধানজৈঃ
স্বভাৱতো দেৱ একঃ স্বমাবৃণোৎ।"

যেনেকৈ মকৰাই জাল ৰচনা কৰি নিজক আবৃত কৰে, সেই দৰে স্বভাৱতে অদ্বিতীয় ব্ৰহ্মই স্বৰচিত জালেৰে নিজক আবৃত কৰিলে। শ্ৰীমদ্ভাগৱতৰ দ্বিতীয় স্কন্ধৰ ষষ্ঠ অধ্যায়ৰ উনত্ৰিশ শ্লোকত লেখিছে—

"নাৰায়ণে ভগৱতি তদিদং বিশ্বমাহিতম্।
গৃহীতমায়োৰুগুণঃ সৰ্গাদাবগুণ স্বতঃ॥"

ইয়াৰ মানে,—এই বিশ্ব ভগৱন্ত নাৰায়ণত অধিষ্ঠিত হৈ ৰৈছে। তেওঁ স্বভাৱতে নিৰ্গুণ, কিন্তু সৃষ্টিৰ আৰম্ভতে তেওঁ মায়া উপাধি অঙ্গীকাৰ কৰি সগুণ হয়। সগুণ ব্ৰহ্মক বিশেষণেৰে বিশেষিত লক্ষণেৰে লক্ষিত কৰিব পাৰি। "সত্যং জ্ঞানমনন্তং ব্ৰহ্ম" অৰ্থাৎ ব্ৰহ্ম সত্যস্বৰূপ, জ্ঞানস্বৰূপ, অনন্তস্বৰূপ, তেওঁৰ এই স্বৰূপ লক্ষণেৰে তেওঁক বিশেষিত কৰিব পাৰি। ব্ৰহ্ম সংহিতাত "ঈশ্বৰঃ পৰমঃ কৃষ্ণঃ সচ্চিদানন্দবিগ্ৰহঃ" বুলি আৰু সচ্চিদানন্দ ৰূপায় কৃষ্ণায়াক্লিষ্টকাৰিণে" অৰ্থাৎ সচ্চিদানন্দৰূপ অক্লিষ্টকৰ্ম্মা শ্ৰীকৃষ্ণক নমস্কাৰ, এই বুলি সগুণ ব্ৰহ্ম পৰমেশ্বৰ কৃষ্ণক নমস্কাৰ কৰি চিহ্নিত কৰিছে। উপনিষদত সগুণ ব্ৰহ্মৰ স্বৰূপ লক্ষণ আৰু তটস্থ লক্ষণ এই দুইৰ লক্ষণ নিৰ্দ্দেশ কৰিছে। যাৰ দ্বাৰাই আমি কোনো বস্তু বা পদাৰ্থৰ আচল চিনাকী পাওঁ, সিয়েই সেই বস্তু বা পদাৰ্থৰ স্বৰূপ লক্ষণ। যাৰ দ্বাৰাই বস্তু বা

পদাৰ্থৰ অস্থায়ী গুণৰ চিনাকী পোৱা যায়, সিয়েই সেই বস্তু বা পদাৰ্থৰ তটস্থ লক্ষণ। মানুহৰ কথা কব পৰা শক্তি, অথবা man is mortal অৰ্থাৎ মানুহ মৰণশীল, এইটো মানুহৰ স্বৰূপ লক্ষণ। কিন্তু মিঠা খাবলৈ ভাল পোৱাটো, নাইবা গীতবাদ্য শুনিবলৈ ভাল পোৱাৰ নিচিনা লক্ষণ তটস্থ লক্ষণ। উপাধি নহলে শক্তিৰ প্ৰকাশ নহয়। শক্তি প্ৰকাশৰ নিমিত্তে medium লাগে। অগ্নি প্ৰকাশ হবৰ নিমিত্তে অৰণি কাষ্ঠৰ আৱশ্যক। সূৰ্য্যত পোহৰ শক্তি আছে, কিন্তু পৃথিবীৰ ওপৰত বায়ুস্তৰ অথবা ঈথৰ (ether) নথকাহেঁতেন সেই পোহৰ প্ৰতিফলিত নহৈ আমাৰ চকুৰ অগোচৰ থাকিলহেঁতেন। মানুহৰ কথা কবৰ শক্তি, শব্দ শুনিবৰ শক্তি আছে, জিভা আৰু কাণৰ medium আৰু অভাৱ হলে সেই দুই শক্তি প্ৰকাশ হব নোৱাৰে। এই বাবেই ভগৱন্তৰ উপাধি ধাৰণৰ আৱশ্যকতা। সৎ, চিৎ আনন্দ এই তিনি শক্তি (যাক বিষ্ণুপুৰাণত সন্ধিনী, সংবিৎ, আৰু হ্লাদিনী শক্তি বুলিছে) সদায় পৰব্ৰহ্মৰ আছে; কিন্তু যেতিয়ালৈকে তেওঁ মায়া-উপাধি গ্ৰহণ কৰি মহেশ্বৰ নহয়, তেতিয়ালৈকে সেই তিনি শক্তি প্ৰকাশিত নহয়। মায়াৰ আৱশ্যকতা এই নিমিত্তেই।

তৈত্তিৰীয় উপনিষদত কোৱা—"যতো বা ইমানি ভূতানি জায়ন্তে। যেন জাতানি জীৱন্তি। যৎ প্ৰয়ন্ত্যভিসংবিশন্তি" অৰ্থাৎ যাৰপৰা এই ভূতসকল উপজিছে, উপজি যাৰ দ্বাৰাই জীয়াই আছে, আৰু অন্তত যাতে এইসকল লয় প্ৰাপ্ত হব,—এইটো সগুণ ব্ৰহ্মৰ তটস্থ লক্ষণ। এই তটস্থ লক্ষণৰ দ্বাৰাই সগুণ ব্ৰহ্মৰ স্ৰজন, পালন আৰু সংহাৰৰ অসীম বিৰাট শক্তিৰ অলপ-অচৰপ জনা গল। তেওঁ যে ৰজোগুণ ধাৰণ কৰি ব্ৰহ্মা হৈ স্ৰজন কৰে, সত্বগুণ ধৰি বিষ্ণুৰূপে পালন কৰে, তমোগুণ ধৰি ৰুদ্ৰৰূপে সংহাৰ কৰে, তেওঁৰ এই তিনি শক্তিৰে তেওঁ তিনি মূৰ্ত্তি পৰিগ্ৰহ কৰে, অথচ তিনিউ এক, একেই তিনি। শ্ৰীমদ্ভাগৱতৰ চতুৰ্থ স্কন্ধৰ সপ্তম অধ্যায়ৰ ৪৮ শ্লোকত ইয়াকেইহে কৈছে—

"আত্মমায়াং সমাবিশ্য সোঽহং গুণময়ীং দ্বিজ।
সৃজন্ ৰক্ষণ হৰণ বিশ্বং দধ্ৰে সংজ্ঞাং ক্ৰিয়োচিতাম॥"

ইয়াৰ মানে—ময়েই গুণময়ী আত্মমায়াক আশ্ৰয় কৰি এই বিশ্বৰ সৃষ্টিস্থিতিধ্বংসৰ নিমিত্তে বিবিধ নাম ধাৰণ কৰোঁ। ময়ে এক মাথোন অদ্বিতীয় পৰম-ব্ৰহ্মস্বৰূপ।

পৰব্ৰহ্মৰ যি নিৰ্ব্বিশেষভাব তাক লক্ষণেৰে লক্ষিত, চিহ্নেৰে চিহ্নিত, বচনেৰে বাচ্য কৰিব নোৱাৰি। সেইভাব "নেতি নেতি"। সেইভাব "যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসাসহ।" কিন্তু সগুণ ব্ৰহ্ম বা মহেশ্বৰক তেওঁৰ স্বৰূপ লক্ষণেৰে কিছু দূৰ লক্ষিত, আৰু তটস্থ লক্ষণেৰে কিছুদূৰ চিহ্নিত কৰা যায়। অৰ্থাৎ ব্ৰহ্মৰ যিটো সবিশেষ ভাব, সেইটো একেবাৰেই বাক্য আৰু লক্ষণৰ অগোচৰ নহয়। পৰব্ৰহ্ম "অবাঙমনসগোচৰ" অজ্ঞেয় অৰ্থাৎ আমাৰ জ্ঞানৰ অতীত, ইন্দ্ৰিয় বাক্য মন বুদ্ধিৰ অগোচৰ। কিন্তু সগুণ ব্ৰহ্ম বা মহেশ্বৰ আমাৰ একেবাৰেই অগোচৰ অজ্ঞেয় নহয়। তেওঁ সাধাৰণ মন বুদ্ধি ইন্দ্ৰিয়ৰ অগোচৰ হলেও বিশুদ্ধ মন বুদ্ধিৰ আৰু যোগ সমাধিৰে তেওঁক জানিব পাৰ পাৰি। মুণ্ডক উপনিষদত লেখিছে—

"জ্ঞান প্ৰসাদেন বিশুদ্ধ সত্ত্বস্তস্তু তং পশ্যতে নিষ্কলংধ্যায়মানঃ।"

অৰ্থাৎ জ্ঞানৰ প্ৰসাদেৰে বিশুদ্ধচিত্তে সাধকে ধ্যানযোগৰ দ্বাৰাই অখণ্ড পৰমাত্মাক দেখে। ব্ৰহ্মসূত্ৰত কৈছে—

"অপি সংৰাধনে প্ৰত্যক্ষানুমানাভ্যাম"

অৰ্থাৎ সংৰাধন কালত তেওঁ (মহেশ্বৰ) দৃষ্টিগোচৰ হয়। সংৰাধন মানে— ভক্তি, ধ্যান, প্ৰণিধান ইত্যাদি কাৰ্য্য। তেওঁত সুদৃঢ় ভক্তি কৰি তেওঁত শৰণ পশিলে নিশ্চয় তেওঁক পোৱা যায়। বেদেও ইয়াকে কয় উপনিষদেও ইয়াকে কয়—

"তমীশ্বৰাণাং পৰমং মহেশ্বৰং তং দেৱতানাং পৰমং চ দৈৱতম্।
পতিং পতীনাং পৰমং পৰস্তাদ্ বিদাম দেৱ ভুৱনেশমীড্যম।"

অৰ্থাৎ তেওঁ ঈশ্বৰসকলৰ পৰম মহেশ্বৰ, দেৱতাসকলৰ পৰমদেৱতা, প্ৰজাপতিসকলৰ পৰমপতি, পৰাৎপৰ বিশ্বপতি আৰাধ্য দেৱক আমি জানিছোঁ। ভাগৱতত কৈছে—

"যস্মিন্নিদং যতশ্চেদং যেনেদং য ইদং স্বয়ম।
যোঽস্মাৎ পৰস্মাচ্চ পৰস্তং প্ৰপদ্যে স্বয়ম্ভুৱম্॥"

অৰ্থাৎ যাত এই বিশ্ব, যাৰপৰা এই বিশ্ব, যাৰ দ্বাৰাই এই বিশ্ব, যি স্বয়ং এই বিশ্ব, যি স্বয়ং এই বিশ্বৰ পিছৰও পিছত, সেই স্বয়ম্ভুত শৰণ পশোঁ।

শ্বেতাশ্বতৰ উপনিষদে কয়—

"সৰ্ব্বেন্দ্ৰিয় গুণভাসং সৰ্ব্বেন্দ্ৰিয় বিবৰ্জ্জিতং।
সৰ্ব্বস্য প্ৰভুমীশানাং সৰ্ব্বস্য শৰণং বৃহৎ॥"

অৰ্থাৎ তেওঁ সকলো ইন্দ্ৰিয়বিবৰ্জ্জিত, অথচ তেওঁ সকলো ইন্দ্ৰিয়ৰ গুণসম্পন্ন, তেওঁ সকলোৰে প্ৰভু মহেশ্বৰ আৰু সকলোৰ বৃহৎ আশ্ৰয়।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

মহাত্মা হোচেন বছোৰী।

প্ৰায় তেৰশ বছৰৰ আগেয়ে মহাত্মা হোচেন, বছোৰা নগৰত জন্ম গ্ৰহণ কৰে। তেওঁৰ মাক হজৰত মহম্মদ (দঃ)ৰ সহধৰ্ম্মিণী আয়েছাৰ পৰিচাৰিকা আছিল। হোচেন ওপজা মাত্ৰেই হজৰত মহম্মদ দঃ)ৰ প্ৰচাৰ-বন্ধু মহাত্মা ওমৰৰ ওচৰলৈ অনা হয়। মহাত্মা ওমৰে ল'ৰাটি দেখিবলৈ বৰ শুৱনি দেখি তেওঁৰ নাম 'হোচো' অৰ্থাৎ সুন্দৰ ৰাখিলে। পৰিচাৰিকাৰ ল'ৰা হলেও আয়েছাই ল'ৰাটিক ইমান মৰম কৰিছিল যে মাক ইফাল সিফালে বন-বাবীত লাগি থাকোতে কেচুৱাই কান্দিলে লৰালৰিকৈ গৈ কোলাত তুলি মুখত পিয়াহ দি নিচুকাই ৰাখিছিল। আয়েছা নিঃসন্তান আছিল যদিও হোচেনৰ চোহনিত তেওঁৰ পিয়াহৰপৰা অলপ অলপ গাখীৰ ওলাইছিল। হোচেন সৰুকাল ডোখৰত হজৰত মহম্মদ (দঃ)ৰ নাতিয়েক ইমাম হোচেনৰ লগত একেলগে লেখাপঢ়া শিকি ডাঙৰ দীঘল হৈছিল আৰু ইমাম হোচেনৰ লগত তেওঁৰ বিশেষ বন্ধুতাও আছিল। শেষত ইমাম হোচেনৰ জনক হজৰত আলিৰ ওচৰত হোচো বাছোৰী সন্ন্যাস ধৰ্ম্মত দীক্ষিত হয়। প্ৰথম যি ঘটনাৰ পৰা হোচেন বছোৰীৰ জীৱনৰ পৰিবৰ্ত্তন হয়, তাক তলত দিয়া গল।

হোচেন এজন ৰত্নবণিক আছিল। তেওঁ ৰোম নগৰলৈ বেহাবেপাৰ কৰিবলৈ গৈ সেই নগৰৰ ৰাজমন্ত্ৰীৰ লগত বিশেষ বন্ধুতাসূত্ৰত আবদ্ধ হলগৈ। এদিন ৰাজ-মন্ত্ৰীয়ে হোচেনক লগত লৈ নগৰৰ কাষৰতে থকা পথাৰ এখনৰ ফাললৈ গৈ আছিল। হোচেন আহি দেখেহি যে পথাৰৰ মাজতে মণি মুকুতাৰে সজোৱা কাপোৰৰ সুন্দৰ পটমণ্ডপ এটা। তেওঁ চাওঁতে চাওঁতে কিছুমান সুসজ্জিত সৈনিক পুৰুষ আহি পট-মণ্ডপটোৰ কেউফালে প্ৰদক্ষিণ কৰি ৰোমীয় ভাষাৰে কিবাকিবি উচ্চাৰণ কৰি গুচি যোৱা দেখা পালে। তাৰ পাছত এদল বুঢ়া মানুহ আদি সেই দৰে প্ৰদক্ষিণ কৰি

কিবাকিবি কৈ গুচি গল। তাৰ পাছত প্ৰায় ছাবিশমান পণ্ডিত আদি সেই দৰে কৰিলেহি। তাৰ পাছত দুশমান তৰুনী গাভৰুৱে মণি মুকুতাৰ শৰাইৰে আহি সেই দৰে আচৰণ কৰি গুচি গল। সবাৰ শেষত সপাৰিষদে সম্ৰাট ওলালহি। সম্ৰাট আহি সেই পটমণ্ডপৰ ভিতৰলৈ সোমাই গল আৰু অলপ বেলিৰ পাছত ওলাই আহি নগৰলৈ প্ৰস্থান কৰিলে। হোচেনে এইবোৰ দেখি শুনি একো বুজিব নোৱাৰি বৰ আচৰিত হৈ মন্ত্ৰীক সকলো তাৎপৰ্য্য সুধিলে। মন্ত্ৰীয়ে কলে:— "সম্ৰাটৰ পৰম ৰূপগুণসম্পন্ন কোৱঁৰ এটি আছিল। সম্ৰাট সংসাৰৰ সকলো বস্তুতকৈ কোৱঁৰটিৰ ওপৰত হে বেছিকৈ অনুৰক্ত আছিল। সেই কোৱঁৰে অকস্মাৎ মৃত্যুমুখত পৰি মহাৰাজক শোক সাগৰত বুৰাই ৰাখিছে। এই যে পটমণ্ডপ দেখিছা এইটোৱেই সেই কোৱঁৰৰ সমাধি। প্ৰত্যেক বছৰে এবাৰকৈ সম্ৰাট সসৈন্যে আৰু সবান্ধৱে আহি এই খিনিত উপস্থিত হয়হি। সৈন্যবিলাকে যে প্ৰথমতে আহি মণ্ডপটো প্ৰদক্ষিণ কৰি কিবাকিচি কৈ গুচি যোৱা দেখিলা,— সিহঁতে কৈছে যে—'ৰাজকোৱঁৰ, তোমাৰ যি অৱস্থা ঘটিছে, আমি যদি বাহুবলেৰে তাক গুচাব পৰা হলে, আমাৰ নিজ নিজ প্ৰাণ উছৰ্গা কৰি তোমাক ওভোতাই আনিলোঁহেঁতেন। কিন্তু যি জনে এই অৱস্থা কৰিছে সেই জনৰ লগত একো-উপায়ে আমাৰ সংগ্ৰাম নচলে।'' আৰু যে পণ্ডিতমণ্ডলীক দেখিলা তেওঁলোকে কৈছে যে—'ৰাজপুত্ৰ, যদি জ্ঞান বিজ্ঞান আৰু পাণ্ডিত্য বলেৰে তোমাৰ এই দুখ দূৰ কৰিবপৰা হলে নিশ্চয় তাকে কৰিলোঁহেঁতেন।' তাৰ পাছত বুঢ়াদলে কৈছে যে— 'ৰাজতনয়, যদি আশীৰ্ব্বাদৰ বলত আৰু শোক প্ৰকাশ কৰি তোমাৰ জীৱন ৰক্ষা কৰিব পৰা হলে আমি কেতিয়াও তাৰপৰা বিমুখ হৈ নেথাকিলোঁহেঁতেন।' পাছত তৰুনী গাভৰুদলে কৈছে—'হে প্ৰভো, যদি ধন সমুদ্ৰ আৰু সৌন্দৰ্য্যৰ বলত তোমাক লাভ কৰিব পৰা হলে এই সকলো খিনিকেই তোমাৰ কাৰণে উছৰ্গা কৰিলোঁ-হেঁতেন। কিন্তু যি এই ঘটনাৰ প্ৰৱৰ্ত্তক তেওঁৰ ওচৰত ঐশ্বৰ্য্য সম্পত্তি আৰু ৰূপ যৌৱনৰ একো মূল্য নাই।' সবাৰো শেষত সম্ৰাট আহি কৈছে—'হে প্ৰাণ-পুত্ৰ, তোমাৰ পিতাৰৰ হাতত আৰু কি ক্ষমতা আছে, তোমাৰ কাৰণে এদল সৈন্য আনিছোঁ, বিদ্বান আৰু বুঢ়াসকল, ৰূপ যৌৱন আৰু সম্পদশালী সকলকো আনিছোঁ আৰু মযো আহিছোঁ। সৈন্যবল, পাণ্ডিত্য, ধন সম্পদ আৰু সৌন্দৰ্য্যৰ বলেৰে যদি এই বিপদ নিবাৰণ হ'লহেঁতেন তেনেহলে সেই সকলোবোৰেৰে এবাৰ

যথাসাধ্য যুঁজি চালোঁহেঁতেন, কিন্তু যি জনে এই ঘটনা সংঘটন কৰিছে তোমাৰ পিতাৰা আৰু গোটেই জগতখন তেওঁৰ শক্তিপূৰ্ণ বাহুৰ ওচৰত নিচেই দুৰ্ব্বল। এই বুলি বজাই বাহিৰলৈ ওলাই গুচি গল। বছৰেবছৰে নিৰ্দ্দিষ্ট দিনত এই দৰে হৈ থাকে।"

মন্ত্ৰীৰ এই কথাবোৰ শুনি হোচেনৰ অন্তৰত অনুতাপ আৰু বৈৰাগ্যই ঠাই ললে। সেই দিনাই তেওঁ বেহা বেপাৰৰপৰা হাত ধুই বছোৰালৈ গুচি আহিল। তেওঁ দৃঢ় প্ৰতিজ্ঞা কৰিলে যে বাকী জীৱন ছোৱা আৰু হাঁহি ধেমালিত উকৱাই নিদিওঁ।' বাস্তৱিকতে ইয়াৰ পাছৰপৰা তেওঁ নিজক ধ্যান ধাৰণাত এনে দৰে নিযুক্ত কৰিলে যে সেই সময়ত তেওঁৰ দৰে দ্বিতীয় সাধক এজন বিচাৰি উলিয়া টান হল। তেওঁ লোকসংসৰ্গ একেবাৰে পৰিত্যাগ কৰি বিৰলে ঈশ্বৰধ্যানত মগ্ন থাকে। পাছলৈ তেওঁ সপ্তাহত এদিনকৈ সাধাৰণ মানুহবিলাকক উপদেশ আদি দান কৰে। তেওঁ উপদেশ দিয়া ঠাইত কেতিয়াবা যদি তপস্বিনী ৰাবেয়াক দেখা নাপায় তেনেহলে তেওঁ উপদেশ দিয়াৰপৰা বিৰত থাকে। মানুহে যদি শোধে— 'আমি ইমানবোৰ মানুহ থাকোতে বুঢ়ী এজনী নহাৰ বাবে আপোনাৰ কিটো হানি হৈছে?' তেওঁ কয়—"মই হাতীৰ পেটলৈ বুলি যি 'চৰবত' তৈয়াৰ কৰিছোঁ পৰুৱাৰ মুখত তাক কি বুলি অৰ্পণ কৰোঁ?" তেওঁ এইটো ভালকৈ বুজিছিল যে-ৰাবেয়াৰ বাহিৰে যিসকলে তেওঁৰ উপদেশ শুনে তেওঁবিলাকে মাথোন শুনেই হে, কামত কোনেও নলগায়।

এদিন তেওঁ বক্তৃতাৰ সময়ত শ্ৰোতাসকলক সম্বোধন কৰি কৈছিল—"হে মানুহবিলাক, কথালৈ কাণ দিয়াঁ, মোৰ জ্ঞানে তোমালোকৰ কল্যাণ সাধন কৰিব।" মানুহবিলাকে কলে "আমাৰ মন টোপনিত লাল কাল হৈ আছে, তোমাৰ কথা কি শুনিব?" তেওঁ কলে "তোমালোকৰ মন টোপনিত লালকাল হৈ থকা নাই, মৰিহে আছে। টোপনি যোৱাক ঠেলি হেচি জগাব পাৰি, মৰা আৰু ক'ৰ পৰা উঠিব?" আৰু এদিন এদলে কৈছিল—"কিছুমান মানুহে তোমাৰ কথা অগ্ৰাহ্য কৰে আৰু তোমাক নিন্দাও কৰে।" তাৰ উত্তৰত হোচেনে কলে—"মই স্বৰ্গলোক আৰু ঈশ্বৰ সহবাসৰ প্ৰাৰ্থী মানুহৰ ওচৰত কেতিয়াও নিৰাপদে থাকিবৰ আকাঙ্ক্ষা নকৰোঁ। সৃষ্টিকৰ্ত্তা ঈশ্বৰো অবিশ্বাসী নিন্দুকবিলাকৰ জিভাৰ আক্ৰ-মণৰপৰা নিৰাপদ নহয়, মই এটা কোন যে নিৰাপদ থাকিম?"

এদিন মহাত্মা হোচেনে মানুহবিলাকক উপদেশ দি থাকোতে সম্রাট হোজ্জাজ সৈন্য সামন্তৰে সৈতে সেই সভাত উপস্থিত হলহি। মানুহবিলাকে ভাবিছিল যে নিশ্চয় হোচেনে সম্রাটক সন্মান দেখুৱাবৰ নিমিত্তে অলপ সময়লৈ বক্তৃতা বন্ধ কৰিব। কিন্তু কাৰ্য্যত তাৰ একেবাৰেই বিপৰীত দেখি সকলোৱে বৰ আচৰিত মানিলে। বক্তৃতাৰ শেষত সম্রাটে মহাত্মা হোচেনৰ ওচৰ চাপি গৈ তেওঁৰ হাতত চুমা খাই সকলোকে সম্বোধন কৰি কলে—"যদি সাধু পুৰুষ চাব খোজা তেনেহলে এই হোচেনকে চোৱাঁহঁক।" আৰু এদিন হোচেনৰ বক্তৃতা সভাত হজৰত মহম্মদৰ (দঃ)ৰ প্ৰচাৰ বন্ধু মহাত্মা আলি আহি প্ৰশ্ন কৰিলেহি যে—"তুমি জ্ঞানী নে জ্ঞানাৰ্থী?" হোচেন উত্তৰ দিলে "প্ৰেৰিত মহা পুৰুষ হজৰত মহম্মদৰপৰা মই যিখিনি সাৰ সত্য লাভ কৰিছোঁ তাৰেই হে পুনৰুক্তি কৰিছোঁ মাত্ৰ; মই জ্ঞানী নহওঁ।" হজৰত আলিয়ে এই উত্তৰ শুনি "এওঁ সাধু আৰু সৎকৰ্ম্মা" বুলি তাৰপৰা আঁতৰি গল। পাছত যেতিয়া হোচেনে জানিব পাৰিলে সে প্ৰশ্নকাৰী মহাত্মা আলিহে, তেতিয়া তেওঁ পাছে পাছে খেদি গৈ এঠাইত লগ ধৰি তেওঁৰপৰা "অজু" (নামাজ পঢ়িবলৈ অঙ্গশুদ্ধি কৰা কাৰ্য্য) শিক্ষা কৰি আহিলগৈ। যি ঠাইত তেওঁ "অজু" শিক্ষা কৰিছিল সেই ঠাই "মেয়োলতেওঁ" বুলি প্ৰখ্যাত।

হোচেনৰ মনত ভয় ইমান প্ৰবল আছিল যে যেতিয়া তেওঁ অকলশৰে বহি থাকে যেন কোনোবা ঘাতকহে তেওঁৰ ওচৰত থিয় দি আছে! এদিন তেওঁ মানুহ এজনক কান্দি থকা দেখা পাই ওচৰলৈ গৈ সুধিলে "কান্দিছা কিয়?" মানুহজনে কলে "হজৰত মহম্মদ (দঃ)ৰ ওচৰলৈ গৈছিলোঁ, তেওঁ কলে যে ধাৰ্ম্মিকসকলৰ ভিতৰত এনেকুৱাও এজন আছে যে যি কিছুমান দিনলৈয়ো নৰক যন্ত্ৰণা ভোগ কৰিব লাগিব। তাকে শুনি মনত বৰ ভয় খাই কান্দিব লাগিছোঁ।" হোচেনে কলে—"হয়তো সেইজনেই হোচেন, যি হাজাৰ বছৰ নৰক যন্ত্ৰণা ভোগ কৰিহে উদ্ধাৰ পাব।" হোচেনে সৰু কালতে এটি পাপ কৰিছিল, সেই পাপ কামটো সদায় মনত ৰাখিবৰ নিমিত্তে যেতিয়াই তেওঁ নতুন পিন্ধিছিল তেতিয়াই সেই সাজৰ ওপৰত তাক লেখি ৰাখিছিল। আৰু সেই সময়ত তেওঁ কান্দিকাতি একেবাৰেই অজ্ঞান হৈ পৰিছিল।

হোচেনে নিজক সংসাৰৰ সকলো বস্তুতকৈ নীচ আৰু অধম বুলি জ্ঞান কৰিছিল। এদিন তেওঁ [illegible] নৈৰ পাৰেদি [illegible] কাফ্ৰীক তিক্তা মানুহ

এজনীৰে সৈতে আগতে বটল এটা লৈ বহি থকা দেখা পাই মনতে ভাবিবলৈ ধৰিলে যে "এই মানুহটো মোতকৈও শ্ৰেষ্ঠ নে? ই দেখোন এজনী তিকতা মানুহৰ সৈতে মদ খাবলৈ ধৰিছে!" এনেতে ঢৌত পৰি আৰোহী নাও এখন তললৈ যোৱা তেওঁ দেখা পালে। কাফ্ৰীজনে লৰালৰিকৈ গৈ সাতজন আৰোহীৰ ভিতৰত ছজনক উদ্ধাৰ কৰি হোচেনৰ ফালে চাই কবলৈ ধৰিলে—"মই ছজনক বচালোঁ যা এতিয়া তই বাকীজনক বচাগৈ হোচেন, তই যিজনী তিকতা মানুহক মোৰ ওচৰত বহি থকা দেখিছ তেওঁ মোৰ আই হয় আৰু এই বটলৰ যি ঢালি খোৱা দেখিছ সেয়া পানীহে। তোৰ চকু আছেনে নাই তাকে হে পৰীক্ষা কৰি চালোঁ; দেখিলোঁ তই এতিয়াও কণা!" কথাখিনি শুনি হোচেনে বৰ লাজ পালে আৰু বুজিলে যে কাফ্ৰীজন সাধাৰণ মানুহ নহয়, তেওঁৰ শিক্ষাৰ নিমিত্তেই হে ঈশ্বৰে তেওঁক পঠাইছে। পাছত তেওঁ কাফ্ৰীজনৰ ভৰিত পৰি ক্ষমা প্ৰাৰ্থনা কৰি কবলৈ ধৰিলে "হে কাফ্ৰি, তুমি ইমানখিনি মানুহক নৈত বুৰি মৰাৰপৰা উদ্ধাৰ কৰিলা, মোকো অহঙ্কাৰ নৈৰপৰা উদ্ধাৰ কৰাঁ।" তেতিয়া কাফ্ৰীয়ে আশীৰ্ব্বাদ কৰি হোচেনক আৰু উন্নত কৰি তুলিলে। তেতিয়াৰপৰা আৰু কেতিয়াও হোচেনে নিজক আনতকৈ শ্ৰেষ্ঠ বুলি জ্ঞান নকৰে। তেওঁ কয় যে "এটা কুকুৰো মোৰ নিচিনা এশটা হোচেনতকৈ শ্ৰেষ্ঠ, যদি হে মোৰ ধৰ্ম্ম জীৱন ৰক্ষা নাপায়।"

হোচেন-জীৱনত তিনি বাৰ বৰ তেওঁ অপ্ৰাভিত হয়। প্ৰথম বাৰ এটা মদাহীৰ ওচৰত। তেওঁ কৈছিল "এদিন মই মদাহী এটাক বাটে বাটে লটংপটংকৈ যোৱা দেখি কলোঁ "হেৰ বাট সুৰুল কিয়, কৰবাত পৰি যাবি!" উত্তৰত সি কলে "মই এটা মতলীয়া মানুহ, পৰি গলেও আকৌ উঠি ধুলি-মাকতিবোৰ জোকাৰি পেলালেই যথেষ্ট হব। তুমি বেচি সাবধান হবা; মোৰ পক্ষে পৰা উঠা সহজ; কিন্তু তুমি এবাৰ পৰি গলে আৰু উঠা টান!" দ্বিতীয়বাৰ এটা লৰাৰ ওচৰত। "এদিন আন্ধাৰ ৰাতি মই অকলসৰে বাট এটাই দি গৈ আছোঁ, দেখিলোঁ সিফালৰপৰা লৰা এটাই হাততে বন্তি একুৰা লৈ আহিছে। ওচৰ পালত সুধিলোঁ "বন্তিকুৰা ক'ৰ পৰা আনিলা?" এনেতে হঠাত্ বতাহ লাগি বন্তিকুৰা নুমাই থাকিল। লৰাটোৱে সুধিলে "কোৱাঁ এতিয়া বন্তিকুৰা কলৈ গল, তাৰ পাছত মই কম তাক কৰপৰা আনিছিলোঁ?" তৃতীয়বাৰ এজনী তিৰুতাৰ ওচৰত। "এদিন সুন্দৰী তিকতা এজনীয়ে আউলীবাউলী হৈ মোৰ ওচৰলৈ আহি গিৰীয়েকৰ নিন্দা কৰিছিলহি।

মই কলোঁ, 'আগেয়ে গাৰ কাপোৰ কানি ভালকৈ ল, মানুহে এই অৱস্থাত তোক দেখিলে কি বুলিব ?' তাই কলে "মই এটা সৃষ্ট পদাৰ্থৰ প্ৰেমত এনেকুৱা বিহ্বলা হৈছোঁ যে গাৰ কানি-কাপোৰবে ঠিক নাই, তুমি সৃষ্টিকৰ্ত্তাৰ প্ৰেমত নো কি দৰে মত্ত হৈছা যে মোক এই অৱস্থাত দেখি সঙ্কুচিত হৈছা ? নিশ্চয় তুমি তেওঁৰ প্ৰেমত মত্ত হৈ বাহ্যজ্ঞান লুপ্ত কৰা নাই !" এই তিনটা ঘটনাই হোচেনক আৰু বহুত জ্ঞানৰ বাট মোকোলাই দিছিল।

এদিন এজন মানুহে কথায় কথায় হোচেনক কলে যে—"মই আপোনাৰ নিচিনা সহিষ্ণু আৰু বৈৰাগী মানুহ কতো দেখা নাই।" সেই কথা শুনি হোচেনে কলে—"ভাই, মোৰ ধৈৰ্য্য অধৈৰ্য্যৰ কাৰণে, আৰু মোৰ বৈৰাগ্য আসক্তিৰ নিমিত্তে।" মানুহ জনে এই কথাৰ একো তাৎপৰ্য্য বুজিব নোৱাৰি আকৌ সুধিলে—"আপোনাৰ কথা শুনি মোৰ বহুদিনীয়া বিশ্বাস এটা পাতলি যাবৰ উপক্ৰম হৈছে; কথাটো ভাঙ্গি মোক বুজাই কওক।" হোচেনে কবলৈ ধৰিলে—"সদায় নৰকৰ জুইলৈ ভয় কৰি মোৰ অন্তৰখন থৰথৰাই কপি থাকে; সেইটোৱেই মোৰ বৰ অধৈৰ্য্য। স্বৰ্গলোকলৈ বেছি হেপাহ দেখি সংসাৰলৈ ইমান বৈৰাগ্য, এইটোৱেই হৈছে বেছি আসক্তি। তেওঁৰেই প্ৰকৃত ধৈৰ্য্য, যাৰ ধৈৰ্য্য মাথোন ঈশ্বৰ প্ৰীতিৰ নিমিত্তে হয়। নৰকৰ জুইলৈ ভয় কৰি আত্মৰক্ষাৰ নিমিত্তে যাৰ ব্যাকুলতা তাৰ সেইটো ধৈৰ্য্য নহয়। তেওঁৰ বৈৰাগ্যই প্ৰকৃত বৈৰাগ্য, যাৰ বৈৰাগ্য ঈশ্বৰৰ নিমিত্তে হয়। নিজক স্বৰ্গলৈ উপনীত কৰাৰ আকাঙ্ক্ষা কৰিলে বৈৰাগ্য নহয়।"

মহাত্মা হোচেন বছোৰীৰ জীৱনীৰপৰা এনেকুৱা বহুতো সকলুৱা ঘটনাই পাঠকসকলক নিশ্চয় বহুতো সজ জ্ঞান দিব তাত কোনো ভুল নাই। কিন্তু, উপযুক্ত লেখকৰ অভাৱত আমি আজি এইবোৰৰপৰা বঞ্চিত। মহাত্মাৰ জীৱনীৰ আলোচনা কৰিবলৈ আৰু বহুতো ঘটনা থাকিল; এটি এটিকৈ লিখিবলৈ গলে প্ৰবন্ধ বৰ ডাঙৰ হৈ পৰে। মাহিলী আলোচনীৰ উপযুক্ত কৰি লেখিবলৈ গৈ এই প্ৰবন্ধ ইমানতে শেষ কৰিলোঁ। আশা কৰোঁ আমাৰ কোনো সুযোগ্য লেখকে বাহুল্যকৈ লেখি সকলোকে উপকৃত কৰিব। এই খিনিতে এই কথাটিও কৈ থওঁ যে—মহাত্মাই জীৱনত এটি কিবা বৰ ডাঙৰ পাপ কৰিছিল। সেই পাপটো তেওঁ আজীৱন মনত ৰাখি অনুতাপ কৰিবৰ নিমিত্তে, যেতিয়াই ন সাজ পিন্ধিছিল তেতিয়াই তাৰ ওপৰত লেখি ৰাখিছিল। সেই পাপটিৰ বাবে তেওঁ মৃত্যুৰ

সময়ত শাস্তি ভোগ কৰি মুক্তি লাভ কৰিলে। মহাত্মা হোচেনে এই দৰে প্ৰাৰ্থনা কৰিছিল :—

"ঈশ্বৰ ! তুমি মোক সম্পদ দিছা, মই কৃতজ্ঞ হোৱা নাই, বিপদ দিছিলা, ধৈৰ্য্য ধৰা নাছিলোঁ। কৃতজ্ঞ হোৱা নাই যদিও মোৰপৰা সম্পদ ওভোতাই নিয়া নাছিলা। ধৈৰ্য্যাবলম্বন নাই কৰা যদিও বিপদক স্থায়ী কৰি ৰখা নাছিলা। ঈশ্বৰ, তোমাৰপৰা কৃপা ব্যতীত আৰু কি হব পাৰে ?"

এম, মোছলেহ উদ্দিন আহমদ।

বৰবৰুৱাৰ চিঠি।

(১)

"ঠেলাৰ নাম বাবাজী"; মোৰ এই চিঠি লেখিব লগীয়া হোৱা ঠেলাৰ নাম অমুক। চিঠি চুটিকৈ লেখিব লগীয়া হলেও বৰং কোনোমতে বওৱাবাই পৰা যায়, কিন্তু তাৰ ওলোটাটো কৰিব লগীয়া হলেই বিপদ। হাওৰাৰপৰা মুঙ্গেৰ ৩৯৬ মাইল দীঘল বাট, ইমান দীঘল বাটৰ কথাবোৰ গোটে মুৰৰ ছপাখনাত "কম্পোজ" হৈ গৈছে হয়, কিন্তু সেইবোৰ চিঠি এখনত ছাপিব লাগিলেই মৰিল। অকল মৰিলেই নহয়, নোৱাৰিও; সেইদেখি তাৰ সংক্ষিপ্ত সংস্কৰণ উলিয়াব লগীয়াত পৰিলোঁ।

১৯ তাৰিখে গধূলি প্ৰায় চাৰে-পাঁচ বজাৰ সময়ত যেতিয়া আহি হাওৰা ষ্টেচন পালোঁহি, তেতিয়াও "প্লেটফৰ্মত" মুঙ্গেৰৰ গাড়ীৰে সৈতে দেখা-সাক্ষাৎ নাই। অলপ দূৰত দেখিলোঁ, বগা বগ অৰ্থাৎ "পাৰা" (mercury) এটোপা লৰি ফুৰিছে। মোৰ লগত অহা মাজু আৰু সৰু পুতলা দুটায়ে একেবাৰেই আনন্দেৰে মাত লগালে "সোৱা প্ৰফেচৰ !" তেতিয়া মই চকু দুটা-মোহাৰি আকৌ চাই দেখিলোঁ যে হয়, আমাৰ অসমীয়া চেলি (Shelly) কবি প্ৰফেচৰেই হয়। মোৰ মুখত হাঁহি বিৰিঙিলে। মই মাত লগোৱাৰ আগেয়েই তেওঁ মাত লগালে—"বেছ, বেছ, এঘণ্টাৰ আগেয়েই ষ্টেচনলৈ আহিব লাগে ! বোলোঁ, কালিয়েই আহি ইয়াতে চৌ-খুটি মাৰি ভাত ৰান্ধি খাই গাড়ীলৈ বাট চাই থাকিলা কিয় ?" মই সুধিলোঁ,

তুমি নো কেতিয়া আহিলা ? তেওঁ কলে আপোনাক বিচাৰি মই ৪বজাতে ইয়ালৈ আহি প্লেটফৰ্মবোৰত চাই ফুৰিছিলোঁ।" মই কলোঁ তোমাৰ আগমনটো মোৰটোত-কৈও "বেছ"। তুমি মোতকৈ এঘণ্টাৰ আগেয়েই মোক বিচাৰি আহিলা, অথচ তুমি এচকুৱা হৈ মোক বেছ বেছ কৰিছা। দুয়ো এনে বিধৰ অনেক কথা কটা-কটি কৰি শেহত এক ৰকম মিতমাত কৰি "ঠাণ্ডা" হলোঁ।

অলপ পিছতে গাড়ী প্লেট্ ফৰ্মলৈ আহিল, আৰু মই "ৰিজৰ্ভ" কৰি থোৱা খোটালিত মোৰ বই-বস্ত তোলাই, মোৰখন বেঞ্চত মোৰ লগুৱাৰ হতুৱাই বিছনা পৰালোঁ। সিফালৰ বেঞ্চখনো এজনৰ নামে ৰিজৰ্ভ কৰা আছিল, সেই নামটো এন এন্ চাটুৰ্জী। মাজৰখন বেঞ্চ ৰিজৰ্ভ কৰা নাছিল। এজন মাৰোৱাৰী আহি সেইখন অধিকাৰ কৰি ৰহিল। মাৰোৱাৰীজনৰ টোপোলাত এপোলা চুটিকৈ কটা কুঁহিয়াৰ আছিল, তাকে দেখি আমাৰ "চেলি কৰিয়ে" মোক অসমীয়াতে কলে, "ভাল হৈছে, ইয়াৰ কুঁহিয়াৰ চুৰকৈ খাম।" মাৰোৱাৰীজনে সেইকথা কেনেকৈ বুজিলে কব নোৱাৰোঁ, হাঁহি খপ্‌কৰে উত্তৰ দিলে "বাবু, আপোনাৰে কুঁহিয়াৰ চুৰকৈ খাব নালাগে, এনেই এতিয়াই খাওক,—যোলোঁ লাগি যাওক।" উত্তৰটো শুনি আমাৰ কৰিয়ে অপ্ৰস্তুত হৈ হাঁহিবলৈ ধৰিলে, আৰু আমিও হাঁহিলোঁ। মাৰোৱাৰী-জনে আমাৰে সৈতে হাঁহি-মাতি ভাব কৰি ললে। তেওঁ কলে যে তেওঁ ভাগল-পুৰলৈ যাব। মই মুঙ্গেৰলৈ যাম বুলি তেওঁ শুনি কলে "বেচ, আমি একে লগেই যামহঁক।"

ইয়াৰ পিছত, সেই তৃতীয় বেঞ্চৰ অধিকাৰী চাটুৰ্জীজন ওলালহি। তেওঁ চাহাবী সাজ পিন্ধা, আৰু তেওঁৰ হাতত চকাৰী কাকতৰ এটা "ফাইল"। আমি বুজিলোঁ, যে হয় তেওঁ গৱৰ্ণমেণ্টৰ চাকৰীয়া, নহয় বেল কোম্পানীৰ চাকৰীয়া। তেওঁ কিন্তু প্ৰথমতে গহীন হৈ আছিল; আৰু তাকে দেখি আমাৰ কৰিয়ে লাহেকৈ মোৰ কাণত ফুচ্‌ফুচালে যে "আমি আটাইবোৰে ইমানকৈ হাঁহিমাতি আছোঁ, এই মানুহটোৰ মুখত নো বাৰু হাঁহি এটাও ফুটিব নাপায় নে ?" মই কলোঁ তেওঁ গৱৰ্ণমেণ্ট অফিচৰ হাকিম হব পায় সেইদেখি তেনে "ৰিজৰ্ভ।" কিন্তু অলপৰ পাছতে তেওঁ উঠি আহি মোৰে সৈতে কথা-বাৰ্ত্তা পাতি চিনাকী হৈ পৰিল। তেওঁ গৱৰ্ণমেণ্টৰ চাকৰীয়া নহয়, বেলৰ; মুঙ্গেৰলৈ যাব। মই কলোঁ ভালেই হল মযো মুঙ্গেৰলৈ যাম, আমি ভেমা লগৰীয়া হলোঁ। ইয়াৰ অলপ পিছতে কলা

ফিৰিঙ্গি এজন আমাৰ খোটালিত উঠিলহি। ওপৰৰ ওলমি থকা বেঞ্চতে তেওঁ ৰাতিটো কটাবলৈ ঠিক কৰিলে, কাৰণ ওপৰৰ দুইখন বেঞ্চ খালি আছিল। তেওঁ মোক কলে যে তেওঁ জামালপুৰলৈ যাব। মই কলোঁ, বেছ হৈছে, তেৰেঁা আমাৰ দীঘলীয়া লগৰীয়া হল।

ইয়াৰ পিছত আৰু তিনিজন বঙ্গালী ভদ্ৰলোক আহি আমাৰ খোটালিত সোমাল, আৰু তেওঁলোকে কলে যে তেওঁলোক শ্ৰীৰামপুৰলৈ যাব,—অলপ বাট। আমি আনন্দেৰে তেওঁলোকক স্থান দান কৰিলোঁ। তিনিজনৰ এজন, পাতল কোঁচোৱা চুৰিয়া আৰু পঞ্জাবী চোলা পিন্ধা, এজন সাধাৰণ চুৰিয়া আৰু কামিজ পিন্ধা, এজন হেট কোট পিন্ধা। পঞ্জাবী পিন্ধাজন কম বয়সীয়া। তেওঁ আহিয়েই মোৰ আঁতিগুৰি সুধিবলৈ ধৰিলে, আৰু মইও মন খুলি তেওঁৰ প্ৰশ্নৰ উত্তৰ দিবলৈ ধৰিলোঁ। হঠাৎ এবাৰ তেওঁ মোক সুধিলে—"মশায় আপনাদের দেশের কে—বাড়ীতে বিবাহ করেছেন, যিনি হাওড়ায় থাকেন ?" মই কলোঁ যে সেইজন আপোনাৰ আগতে সোঁ-শৰীৰেৰে বৰ্ত্তমান। আৰু তেওঁক সুধিলোঁ, তেওঁ নো কেনেকৈ সেই কথা জানিলে ? তেওঁ কলে "আমি জানি মশায়।"

জানে যদি জানক, আৰু কেনেকৈ জানিলে সেই উৰহীগছৰ ওৰ মোক কিয় লাগিছে, ইয়াকে ভাবি তেওঁক সুধিলোঁ "আপুনি সেইজনৰ খবৰ ইমানবোৰ সুধিলে; এতিয়া আপোনাৰ খবৰ মোক দিয়কচোন, আপুনি কোন ?" তেওঁ ইয়াৰ উত্তৰ দিবলৈ নৌপাওঁতেই চাহাবী সাজ পিন্ধা তেওঁৰ লগৰীয়াজনে মোক কলে "এওঁ পাঁকুৰৰ ৰাজকুমাৰ আৰু মোৰ জোঁৱাই।'

ইয়াৰ পিছত মোৰ বেঞ্চত বহাজনৰ ফালে উভতি চাই দেখিলোঁ, তেওঁৰ হাতত এটা টোপোলা, আৰু সেই টোপোলাৰপৰা কিবা জুলীয়া শুড়ৰ নিচিনা ওলাই পৰিছে। মই তেওঁক কলোঁ, "চাব, মোৰ কাপোৰত যেন সেই জুলীয়া-বোৰ নালাগে।" তেওঁ টোপোলাটো ভালকৈ সামৰি আমাৰে সৈতে কথা-বাৰ্ত্তা পাতিবলৈ লাগিল।

এনেতে ঠং ঠংকৰে ঘণ্টা বাজিল, আৰু তাৰ পিছতে এবাৰ বাঁহী বাজিল। গাড়ী মেলিবৰ হল বুজি, মোৰ গুতলা ছটীক গাড়ীৰপৰা নমাই দিলোঁ। আমাৰ কৰি তাৰ আগেয়েই নামি গাড়ীৰ কাষৰ প্লেটফৰ্মতে টহলি ফুৰিছিল, কাৰণ তেওঁ একেনিৰে একে ঠাইতে অনপমান পৰও বহি থাকিব পৰা স্বভাৱৰ মানুহ নহয়।

গাড়ীয়ে চুটি মেলিলে। ছোৱালী দুটী আৰু আমাৰ কবিৰু হাত মেলি গাড়ীৰপৰা বিদায় লৈ তেওঁলোকৰ লগতে মোৰ মনটোৰ সমানে এফাল থৈ যাবলৈ ধৰিলোঁ। ইফালে দেখোন, পাঞ্জুবৰ ৰাজকুমাৰেৰে সৈতে, সেই জুলীয়া বস্ত্ৰ বোঁওৱা বঙ্গালী বাবুজনৰ মহা তৰ্ক লাগি পৰিছে, দুইবো কথাৰ গাঁঠি নিছিগেই। ৰাজ-কুমাৰে কৈছে—মহাভাৰত কবিৰ কল্পনা ; আৰু বাবুজনে কৈছে, মহাভাৰত প্ৰকৃত History ইতিহাস, বুৰঞ্জী। তেওঁলোকৰ তৰ্কত ৰস পাই মই ভালকৈ কাণ দিলোঁ। বাবুজনে কৈছে, শ্ৰীকৃষ্ণৰ দ্বাৰকা ভূমধ্যসাগৰৰ পাৰৰ লেভাণ্ট বুলি ঠাইত আছিল, আৰু আগৰ পুৰণি ভাৰতবৰ্ষ বৰ্ত্তমান ভাৰতবৰ্ষতকৈ অনেক ডাঙৰ আছিল, ককেচচ্ পৰ্ব্বতলৈকে ভাৰতবৰ্ষৰ সীমা আছিল ইত্যাদি। ময়ো কুহলিয়াই কুহলিয়াই তেওঁক সুধি আৰু উচটাই দিবলৈ ধৰিলোঁ, আৰু তেওঁ অনৰ্গল ভাৱে অনেক কথা কবলৈ ধৰিলে। তেওঁৰ কথাৰ কোবত ৰাজকুমাৰ জঁয় পৰি গল।

গাড়ী শ্ৰীৰামপুৰ পালত তেওঁলোক তিনিও নামি গল, আমি চাৰি জন মাথোন গাড়ীত ৰলোঁ। কবলৈ পাহৰিছোঁ, যে সেই যিজন মাৰোৱাৰীয়ে আমাৰ কবিৰু কুঁহিয়াৰ খাবলৈ কৈছিল, গাড়ী হাওড়া ষ্টেচন এৰিবৰ সময়ত তেওঁ পুট্‌কৰে নামি গল, আৰু তেওঁৰ বদলি আন এজন মাৰোৱাৰীয়ে তেওঁৰ ঠাই ললে। তেওঁ নামি যোৱাৰ সময়ত আমাক কলে তেওঁ যাবলৈ অহা নাছিল, তেওঁৰ বন্ধু এই নতুন মাৰোৱাৰীজন হে যাব। মই হাহি মেলাসিকৈ তেওঁক কলোঁ যে আমাৰ কবিয়ে কুঁহিয়াৰ হে চুৰ কৰিব খুজিছিল, আপুনি কিন্তু মানুহকে চুৰ কৰিলে। তেওঁ মোৰ কথা শুনি খেল্ খেল্ কৰে হাঁহি মোক চেলাম এটা দি গুচি গল।

গাড়ী শ্ৰীৰামপুৰ এৰাৰ পিছত ফিৰিঙ্গী সহযাত্ৰীজনৰ টক্ উঠিল। ইমান পৰ তেওঁ বঙ্গালী বক্তাৰ প্ৰভাৱত মনে মনে আছিল, এতিয়া "লাইন ক্লিয়েৰ" পাই (Line clear) অৰ্থাৎ বাট মুকলি পাই ইংৰাজী কথাৰে আমাক পুটি পেলাব লগীয়া কৰিলে। তেওঁৰ বয়স বেছি নহয়, ২০ কি ২১ বছৰ মান হে হব ; কিন্তু তেওঁৰ জীৱনৰ experiend-ৰ গোট দেখিলে ভয় লাগে। কলিকতাত ৰাণীগঞ্জৰ নাগমাটিৰ খনিত, বেঙ্গল নাগপুৰ ৰেলত, কলিকাতৰ "ষ্টেট্‌ট্‌চ্‌মেন" কাকতৰ অফিচত, ইত্যাদি যি যি ঠাইত তেওঁ কাম কৰিছিল, তাৰ কামৰ আৰু মনুষ্যসমাজৰ ভলাৰ চৰিত্ৰ আদিৰ বিষয়ে তেওঁৰ মুখেদি আখৈ ফুটবলৈ ধৰিলে। মই দেখিলোঁ, এওঁ বৰ interesting মানুহ, ফুৰোঁতে মনৰ কটাবলৈ এওঁৰ লগ বেয়া নহয়।

তেওঁৰ ওচৰ চাপি বহিলোঁ, আৰু মোৰ সহযাত্ৰী চাটুৰ্জীও চাপি আহিল। ফিৰিঙ্গী-জনে ইমান ভিন ভিন বিষয়ে ইমানবোৰ কথা কলে, যিবোৰ কথাৰ ভিতৰৰ কিছু-মানৰ মাথামুণ্ড আছিল, আৰু বাকীবোৰ একেবাৰেই কন্ধ। সেইবোৰ কথাৰ বৃত্তান্ত ইয়াত দিবলৈ যোৱাটো অসম্ভৱ। তেওঁ কিছুমান বিষয়ৰ ফিটিপ আমাক শিকাই দিছিল,—যেনে, মোজাৰ গোবোৱাৰ ফালে ফাটি গলে, সেই মোজাজোৰ নিসিয়াকৈয়ে আকৌ কেনেকৈ নতুন যেনেকৈ লৈ পিন্ধিব পাৰি। পোহাৰীৰ এপাচী বেঙেনাক কেনেকৈ এপাচী ভেকুলী কৰি দিব পাৰি। ৰবৰ ইটাৰ বেৰত কেনেকৈ এটা পাইচা নপৰাকৈ থৈ দিব পাৰি। ইত্যাদি। কিন্তু এটা কথাত ফিৰিঙ্গী ডেকাই মোক অবাক কৰি দিলে। ৰাতি দহ বাজি গলত আমি তেওঁক শুবলৈ কলোঁ আৰু আমিও শুবৰ কাৰবাৰ কৰিলোঁ। তেওঁ কলে যে তেওঁ ৰেলত ফুৰোঁতে নোশোৱে ; আৰু একে লালিয়েই তিন চাৰি ৰাতি নোশোৱা অভ্যাস তেওঁ "ষ্টেট্‌চ্‌মেন" অফিচত কাম কৰোঁতে তেওঁৰ হৈছে, কাৰণ ওৰে ৰাতি তাত তেওঁ কাম কৰিব লাগিছিল। বাস্তৱিকতে দেখিলোঁ, গোটেই ৰাতিটো তেওঁ চকুৰ টোপকে নামাৰিলে, বহি অছিল। অৱশ্যে তেওঁৰ যে টোপনি নুহা নৰীয়া বা আন কোনো নৰীয়া আছিল, এনে নহয়, তেওঁ সুস্থ সবল ডেকাজন।

পিছ দিনা পুৱা ৯ বজাৰ সময়ত জামালপুৰ পালোঁহি। জামালপুৰতে ফিৰিঙ্গী ডেকা নামি গল। জামালপুৰৰ আগয়ে ভাগলপুৰ ; সেই দেখি তাত নামিব লগীয়া মাৰোৱাৰীজন তাতে নামি গল। সেই মাৰোৱাৰীজনৰ কথা ইমান্ বেলি মই কোৱাই নাই; তাৰ কাৰণ তেওঁ গোটেই বাট নিমাত হৈ আছিল, আমি দুবাৰ-এবাৰ কথা সুধিলে দুবাৰ-এবাৰ উত্তৰ দিছিল মাথোন ; সেইদেখি তেওঁক uninterest-ing অৰ্থাৎ আমাৰ পক্ষে অকামিলা বুলি আমি এৰি থৈছিলোঁ। জামালপুৰ পাইহে মই এপিয়লা তপত চাহ খাই পেটৰ জুইটো ৰাখিলোঁ। [illegible] চাহপানীটোপাৰ অভাৱত সি তেতিয়ালৈকে প্ৰাণান্ত কৰি [illegible] আছিল ; পানীটোপা পাই সি "ময়ো আপোনাৰ [illegible] আচৰণ কৰিহে কোনোমতে ধৰ্ম্মৰক্ষা কৰিলে। [illegible] হয়, তুমি জানা। তুমি মহাভাৰতত পঢ়িছা [illegible] খাই-বৈ উঠি [illegible] থাকোঁতে গধুলি হলগৈ, আৰু [illegible] দেখি "মিচেল" অৱংকাৰ্য্যে অৰ্থাৎ [illegible] পৰিচ

হে মহাপাপ সংঘটন হয় বুলি গিৰিয়েকক জগাই দি সন্ধ্যাৰ কাল অতীত হল বুলি কলে। বেচেৰীয়ে ভাল কৰিবলৈ গৈ বেয়া হল! – জৰৎকাৰুৱে—"হোঁ কটা তই মোৰ টোপনি ভাঙ্গিলি!" বুলি খঙত পকি পকা মৰিচটো যেন হল। "মিচেজ্" হাতজোৰকৈ মিহিকৈ কলে "প্ৰভু, মোৰ ওপৰত খং নকৰিব, সায়ংসন্ধ্যা নকৰিলে আপোনাৰ গাত মহাপাপ লাগিব, অথচ সায়ংসন্ধ্যাৰ কাল উকলি যাবৰ সময়; সেই দেখিহে মই আপোনাক জগালোঁ।" ঔটেঙা কৈঁচে বুলি শুনিছোঁ, কিন্তু জলকীয়া পকি ৰঙা হলে আৰু নেকৈঁচে। জৰৎকাৰু জলকীয়াও কৈঁচিবৰ নহয়। তেওঁ আৰু সৰহকৈ ৰঙা হৈ হল। সায়ংকাল কত আছিল কব নোৱাৰোঁ, এটা thundering দি, অৰ্থাৎ এটা ভয়ানক গাঞ্জনি মাৰি তেওঁ সায়ংকালক সুধিলে "তই যোনো, মই সায়ংসন্ধ্যা নোকৰোঁমানে, যাবলৈ ওলাইছ?" ভয়ত তৎমৎ এৰি সন্ধ্যাই তেতিয়াই মিছা মাতি কলে "অ আই! এনেনো কৰবাত হব পাৰে নে? আপুনি সায়ংসন্ধ্যা নকৰাকৈ মইনো যাব পাৰোঁ নে? কোনে নো এইবোৰ কথা মোৰ বিৰুদ্ধে আপোনাক টুটকীয়া লগায় মই কব নোৱাৰোঁ।" এই বুলি সন্ধ্যাই মিছা মাতি বেচেৰী "মিচেজ্" জৰৎকাৰুক পেলালে থিতাতে মিছা! দুৰ্ব্বলৰ ফলীয়া কোন হয়? সংসাৰত বলীৰ ফলীয়া সকলো। "মিচেজ্" জৰৎকাৰুৱে ভাল কৰিবলৈ গৈ বেয়া হল, আৰু শেহত মিছলীয়াও হল তোৰেই। "ওঁ তই দাৰো কব, আৰু মিছাও মাত? যা তোক আৰু মোক নালাগে তোক পৰিত্যাগ কৰিলোঁ।" এই বুলি জৰৎকাৰু ঋষিয়ে ঘৈণীয়েকক কৰিলে ডাইভোৰ্চ (Divorce)। তুমি যদিও কণমান মনুষ্য, তথাপি তুমি পণ্ডিত বুলি তোমাৰ এটা খ্যাতি বা অখ্যাতি আছে, সেইদেখি ওপৰৰ এই উপাখ্যানটো তুমি কিজানি জানা; নাজানা যদি মহাভাৰত পঢ়ি ভালকৈ জানি লৈ মোৰে নিচিনা পণ্ডিত হৈ অখ্যাতি-কখ্যাতি কিনি আনিবা। আমি পঢ়ি পণ্ডিত হলে খ্যাতি হয়, কিন্তু তামানুহে পঢ়ি পণ্ডিতা হলে এই কলিকালত অখ্যাতি হয়; সেই দেখিহে এইষাৰ কথা কলোঁ।

১০ ৰজাৰ ঘৰত মুঙ্গেৰে মোক পালে। মুঙ্গেৰ ভূত নহয় চৰৰ হে। মুঙ্গেৰে মোক পাই ডাক-বঙ্গলাত দিলে, আৰু ডাক-বঙ্গলাই মোক গিলি থলে। এতিয়া মই ডাক-বঙ্গলাৰ পেটত।

কৃপাবৰ।

বুৰঞ্জীৰ টোকা।

থাওকক বুঢাগোহাই স্বৰ্গদেৱ চুহিনফাৰ এজন বিশ্বাসী আৰু প্ৰধান মন্ত্ৰী আছিল। এদিনাখন স্বৰ্গদেৱে ডাঙ্গৰীয়াক লগত লৈ হাবিত চিকাৰ কৰিবলৈ গৈছিল। গেম্বেপনি হাবিৰ মাজত চিকাৰ বিচাৰি ফুৰোঁতে ৰজা আৰু ডাঙ্গৰীয়া দুয়ো কেনেবাকৈ লগ এৰাএৰি হল। এইদৰে অকলশৰীয়া হৈ দুয়ো দুফালে চিকাৰ বিচাৰি ফুৰিছে; ফুৰোঁতে ফুৰোঁতে বেলি ভাটী দিলে, সন্ধ্যা লাগিল, দুয়ো আৰু পুনৰ দেখাদেখি নহল। স্বৰ্গদেৱে তেওঁৰ চেনেহৰ মন্ত্ৰীক হাবিত হেৰুৱাই বিষাদ মনেৰে সন্ধ্যাপৰত ৰাজ-নগৰলৈ উলটিল। কিন্তু ডাঙ্গৰীয়া আৰু ঘৰ নোলালহি;—হাবিৰ মাজত ডাঙ্গৰীয়া নিৰুদ্দেশ।

ৰজাৰ লগ হেৰুৱাই হাবিয়ে হাবিয়ে ফুৰোঁতে ডাঙ্গৰীয়াৰ বৰকৈ পিয়াহ লাগিল। পিয়াহত আতুৰ হৈ পানী বিচাৰি তেওঁ এখন মৰান গাৱঁত ওলালগৈ। কান্ধত হিলৈ আৰু কঁকালত হেঙ্গদাং বান্ধি বীৰ বেশী ডাঙ্গৰীয়া মৰান এঘৰৰ চোতালত আহি উপস্থিত হল। মৰানৰ ঘৰত আছিল মাথোন এহাল বুঢ়াবুঢ়ী আৰু এজনী গাভৰু জীয়েক। ডাঙ্গৰীয়াৰ প্ৰশান্ত মূৰ্ত্তি দেখি কোনোবা ৰাজপুৰুষ বুলি ভাবি তিনিও ভীত আৰু আচৰিত হৈ তেওঁক চাবলৈ ধৰিলে। ডাঙ্গৰীয়াই গম্ভীৰভাৱে মাত লগালে—"মই বৰ পিয়াহত আহিছোঁ মোক এটোপা পানী দিয়া।" বুঢ়া বুঢ়ীৰ চকুৰ ইঙ্গিতত গাভৰু জীয়েকে ততালিকে এবাটি পানী আনি ডাঙ্গৰীয়াক দিলেহি। ডাঙ্গৰীয়াই হেপাহ পলুৱাই পানী খাই মৰানৰ চোতালত ক্ষন্তেক জুৰাবলৈ বহিল। ডেকা ডাঙ্গৰীয়াৰ ৰূপ দেখি গাভৰু মৰাননীৰ অন্তৰত মোহ লাগিল। মৰানৰ জীয়াৰীয়ে উলহমালহকে ডাঙ্গৰীয়াক আকৌ এচিলিম ধপাত লগাই দিলেহি। ডাঙ্গৰীয়াও গাভৰু মৰাননীৰ সৌন্দৰ্য্যত মুগ্ধ হল। দুয়ো দুয়োকে হেপাহ নপলোৱা চকুৰে চাবলৈ ধৰিলে। চাওঁতে চাওঁতে বেলি মাৰ গল; আন্ধাৰ হল। মৰানৰ ঘৰতে ডাঙ্গৰীয়া অতিথি হব লগাত পৰিল। বুঢ়াবুঢ়ীয়েও ডাঙ্গৰীয়াক আদৰ-সাদৰ কৰি ৰাখিলে আৰু তেওঁক আলপৈচান ধৰিবলৈ জীয়েকক আদেশ দিলে। মৰানৰ জীয়াৰীয়ে ডাঙ্গৰীয়াৰ মনত সন্তোষ দিবলৈ নানা ভাৱে শুশ্ৰূষা কৰিবলৈ ধৰিলে। অৱশেষত মৰাননীৰ গুণত ডাঙ্গৰীয়াৰ মন মোহিত হল। ৰূপৱতী মৰানজীয়াৰীৰে সৈতে ডাঙ্গৰীয়া প্ৰেমৰ দোলেৰে বান্ধ খালে। ডাঙ্গৰীয়াই

নিজৰ ৰাজকাৰ্য্য আৰু জাতী কুটুম্বলৈ পাহৰি মৰানৰ ঘৰতে ঘৰ-জোঁৱাই হৈ থাকিবলৈ ললে।

এইদৰে কিছুকাল গল। এদিন গ্ৰহণী ৰোগত মৰানৰ ঘৰতে ডাঙ্গৰীয়াৰ মৃত্যু হল। যি সময়ত ডাঙ্গৰীয়াৰ মৃত্যু হল সেই সময়ত ডাঙ্গৰীয়াৰ পত্নী সগৰ্ভা আছিল। মৰণৰ আগতে ডাঙ্গৰীয়াই তেওঁৰ পত্নীক কৈ গৈছিল,—"চোৱাঁ, মৌ যে কাঙ্কমাৰিডাল দেখিছা, তাৰ ভিতৰত মোৰ হেঙ্গদান্খন সুমাই থৈছোঁ। মোৰ ঔৰসত তোমাৰ যদি কোনবাকৈ পুত্ৰ সন্তান এটি জন্ম হয়, আৰু ঈশ্বৰে যদি তাক জীয়াই ৰখে, তেন্তে সেই কাঙ্কমাৰিডালেৰে ৰজাৰ ঘৰত খৰি যোগাবলৈ তাক কবা। আৰু কবা, যি সেই কাঙ্কমাৰিডাল খৰিৰ লগতে এৰি থৈ নাহি নিতৌ ঘৰলৈ লৈ আহিব; আৰু যেতিয়ালৈকে সেই মাৰিডাল তাৰ কান্ধত থাকে, তেতিয়ালৈকে যি কাকো আঠুকাঢ়ি সেৱা নকৰিব।"

কালত ডাঙ্গৰীয়াৰ পত্নীয়ে এটি সুলক্ষণীয়া পুত্ৰ সন্তান প্ৰসৱ কৰিলে। মাকে লৰাটিৰ নাম থলে চাওফ্ৰুং। মৰাননীৰ গৰ্ভজাত ডাঙ্গৰীয়াৰ সন্তান দিনক দিনে ডাঙ্গৰ হৈ আহিল। চাওফ্ৰুঙৰ বয়স সোল বছৰত সোমাল। চাওফ্ৰুঙে এতিয়া মৰান কুলৰ বৃত্তি অনুসাৰি ৰজাৰ ঘৰত খৰি যোগাব লগা হল। তাহানি পিতৃয়ে দি যোৱা উপদেশ আৰু কাঙ্কমাৰি লৈ চাওফ্ৰুঙে নিতৌ ৰজাৰ ঘৰত খৰি যোগাবলৈ ধৰিলে।

তেতিয়া ৰাজসিংহাসনত স্বৰ্গদেৱ চুহিনফাৰ পুত্ৰ চুপাংফা ৰজা আছিল আৰু চাওবিন বৰগোহাঁই ডাঙ্গৰীয়াই খৰি যোগনীয়াৰ মৰানইতৰ হিচাপ ৰাখিছিল। চাওফ্ৰুঙৰ লগৰীয়া মৰানইতে ৰজাভঁৰালত নিতৌ একোভাৰ খৰি দি ডাঙ্গৰীয়াক একোটা সেৱা কৰি যায় কিন্তু চাওফ্ৰুঙে তেনে নকৰে। সি নিজৰ কান্ধ-মাৰি ডাল সদায় ওলটাই নিয়ে আৰু ডাঙ্গৰীয়াক সেৱা নকৰি পোনে পোনে গুচি যায়। ডাঙ্গৰীয়াই এই কথা কেইবাদিনৰেপৰা মন কৰি আছিল। এদিন এইদৰে খৰি থৈ সেৱা নকৰাকৈ উলটি যাবলৈ ওলাওঁতেই ডাঙ্গৰীয়াই চাওফ্ৰুঙক ওচৰলৈ মাতি নি সেৱা নকৰাৰ আৰু কাঙ্কমাৰিডাল এৰি নোযোৱাৰ কাৰণ সুধিলে। চাওফ্ৰুঙে তেতিয়া তাৰ মাকে কোৱা কথা সকলো ডাঙ্গৰীয়াৰ আগত নিৰ্ভয়ে ভাঙ্গি কলে। ডাঙ্গৰীয়াই তাতে সন্দেহ কৰি চাওফ্ৰুঙৰ কাঙ্কমাৰি ডাল ফলাই চোৱাত তাৰ ভিতৰত এখন সুন্দৰ হেঙ্গদান দেখা পালে। সেইমতে ডাঙ্গৰীয়াই তেওঁৰ লগৰীয়া বাকৰ থাওকক বুঢ়াগোহাঁইৰ হেঙ্গদাম বুলি চিনিবলৈ আৰু বাকি নাথাকিল।

ততালিকে চাওফ্ৰুঙৰ মাকক ৰাজ-চ'ৰালৈ অনোৱা হল। মৰাণৰ জীয়াৰীয়ে তেওঁৰ স্বৰ্গীয় পতিৰ কথা ৰজা আৰু ডাঙ্গৰীয়াৰ আগত আদ্যোপান্ত কলে। তাৰপৰা ৰজা আৰু চ'ৰাৰ সকলোৱে উত্তমৰূপে জানিব পৰিলে যে মৰাণৰ জীয়াৰী তাহানি স্বৰ্গদেৱ চুহিনফাৰ লগত চিকাৰলৈ যাওঁতে নিৰুদ্দেশ হোৱা থাওকক বুঢ়াগোহাঁইৰ ভাৰ্য্যা আৰু চাওফ্ৰুং তেওঁৰ সন্তান। ডাঙ্গৰীয়াৰ পত্নীপুত্ৰৰ পৰিচয় পাই ৰাজ চ'ৰাৰ সকলোটি আনন্দিত হল; কিন্তু তেওঁৰ মৃত্যুসম্বাদেহে আটাইকে বেজাৰ দিলে। ৰজাই বিষয়াসকলৰ পৰামৰ্শমতে মৰাণনীৰ গৰ্ভজাত ডাঙ্গৰীয়াৰ পুত্ৰক চাওফ্ৰুঙদাম নাম দি বুঢ়াগোহাঁই ডাঙ্গৰীয়া পাতিলে। এই খিনিতে আৰু এটিকথা কৈ থোৱা উচিত যে থাওকক বুঢ়াগোহাঁইৰ মৃত্যুৰ পাচত তেওঁ পত্নী মৰাণৰ জীয়াৰীয়ে পুনৰ এক মৰাণক পতি গ্ৰহণ কৰিছিল। সেই মৰাণৰ ঔৰসত তেওঁৰ যি সন্তান হৈছিল তাৰে এটিক চাওফ্ৰুংদাম ৰজাক খাটি এখন বিষয় দিয়ালে;—তেওঁকে বোলে মৰাণ বৰুৱা।

শ্ৰীক্ষেত্ৰ।

বৰদৈ চিলা।

(অসমীয়া বন-ঘোষাৰ সুৰ)

(১)

পাটকাই পৰ্ব্বততে হোলোংগছ এডালি
ওপৰতে এটি ডাল।
বৰদৈ-চিলাৰ মাকে বাহটি সাজিলে,
পাৰিলে কণীটি ভাল॥
বছেৰেক উমনিত জগিল পোৱালিটি,
বৰদৈচিলা থলে নাম।
গজিল কাঁড়পাখি, নীকে এৰি গল,
সোনাইৰে ৰবত সকাম॥

মাকৰ পিছে পিছে   ৰৰদৈ উৰি গল,
পৰ্ব্বতে ভৈয়ামে জুৰি।
মোনাইৰ ঘৰত বিহু   খাব ৰৰদৈয়ে,
আৰু সি খেলিব কড়ি॥
উছাহত ৰৰদৈয়ে   ওখ গছ ভাঙিলে,
উৰালে ৰৰঘৰৰ মুধ।
নাহৰৰ ফুলবোৰ   সিচৰতি কৰিলে,
পানীৰে কৰিলে যুধ॥

(২)

যা-গৈ বিহুৱা   চিলা ৰৰদৈয়া,
থাগৈ নাবৰ ঘৰত চিৰা।
উভতি আহোঁতে   দৈ-পইতা দিম
বহুবান পাৰি ৰৰপীৰা॥
বালিতে ৰৰকাছৰ   কণী ছয় অৰা,
ছনাহ পৰি তাতে আছে।
ৰৰদৈচিলা অহা   খাতদিটি পাই,
ফুটি পানীত পৰি নাচে॥
বালিৰ বৰ গৰা   খহাই দে ৰৰদৈয়া,
উৰাই দে মদাৰৰ ফুল।
মাউদে বৰ নাওখন   বাই যায় বঠাৰে,
নুইতৰ বুকুত টুলবুল॥
ৰৰদৈচিলা হেৰ!   সুবুৰা নাওখনি,
মাউদে কৰিছে তুতি।
পাল তৰি দিছে,   ছনাহৰ বাটটি
কৰি দে তই হেৰ চুটি॥

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

বিলাতৰ কথা।

গতবাৰ বিলাত আৰু কলিকতাৰ পুলিচৰ সম্পৰ্কে লেখিছিলোঁ। আমাৰ আসামৰ বিষয়ে একো বিশেষ উল্লেখ কৰা নাছিলোঁ। ঘৰুৱা কথানো আৰু কি কম?

১৮৮৬ চনত স্কুল কলেজ বন্ধ হোৱাত কেম্ব্ৰিজলৈ যাওঁ বুলি লণ্ডনলৈ আহিছিলোঁ। চেলেমস্ফোর্ড (Chelmsford) দহএবাৰমান ৰজাত এৰি পঞ্চলিচ মিনিট মানৰ পাছত লণ্ডন পালোঁগৈ। লণ্ডনৰপৰা চেলেম্স্ফর্ড তিৰিচ মাইল—ৰেলৰ কেৰেয়া আঢ়ৈ খিলিং আৰু আধা পেনী। লণ্ডন পায়েই চিনাকী মানুহৰ লগতে দেখা কৰিবলৈ গলোঁ। প্ৰথমে মোৰ ৰবোঁ। লিভাৰ পুলষ্ট্ৰীটৰ (Liverpeol Street Great Eatstrn Railwayৰ টাৰ্মিনচ্) পৰা বস্ (Bus) লৈ মিসেস্ কীটিংৰ লগতে দেখা কৰিবলৈ ত্ৰিকষ্টনৰ টাল্‌স্ হিললৈ (Tulse Hile) গলোঁ। সেই সময়ত মোৰ অভিভাৱক মিসেস্ কীটিং আছিল—তাৰ পাছতহে মিচ্ মানি হ'ল। তেওঁলোকৰ লগতে দেখা সাক্ষাৎ কৰি মিচেচ্ মল্লিকৰ লগতে দেখা কৰিবলৈ বেজ্‌ওয়াটাৰলৈ (Fayswater) গলোঁ। সেই ফালতে সন্ধ্যা হ'ল। তাৰ পাছত মিচেচ্ স্পীয়েৰ্চৰ লগতে দেখা কৰোঁ বুলি হাইগেটলৈ গ'লোঁ। সেইদিনা কুৰবাত মই ৰেলওৱে গাইড্ এখন চাই দেখিছিলোঁ যে লিভাৰপুল ষ্ট্ৰীটৰপৰা কেম্ব্ৰিজলৈ সেই দিনা ৰাতি শেহ গাড়ীখন দহ বাজি কুৰি মিনিটত যায়। সেই দেখি মিসেস্ স্পীয়েৰ্চহঁতৰ তাত ন বজালৈকে আছিলোঁ। পাছত ষ্টেশনলৈ গৈ দেখোঁ যে ট্ৰেইন্ মই প্লাট্‌ফৰ্ম পাওতেই এৰি দিলে। কথা হৈছে কি যে মই গাইড্‌খন দেখাত ভুল কৰিছিলোঁ। দহ বাজি কুড়ি মিনিটৰ ঠাইত দহ বাজি দুই মিনিট হোৱা উচিত আছিল। ১০-২০ত ট্ৰেইন যোৱা হ'লে মোৰ বেছ সময় থাকিল হেতেন। ক্লোক্ ৰুমতে মোৰ বস্তবোৰ থৈ গৈছিলোঁ। তাৰপৰা সুন্দৰ মতে বস্তবোৰ আনি টিকিট কৰি দহ মিনিট মান সময় পালোঁ হেতেন। ভুল দেখি বিপদত পৰিলোঁ। এতিয়া কি কৰোঁ? লণ্ডনত লিভাৰপুল ষ্ট্ৰীট এটা বৰ ডাঙৰ ষ্টেশন, হাওৰা ষ্টেশনতকৈও ডাঙৰ। এতিয়া নিৰুপায় হৈ ভাবিলোঁ যে হাইগেটলৈকে মিচেচ্ স্পীয়েৰ্চৰ তালৈকে যাওঁ। এই বুলি মুৰগেট ষ্ট্ৰীটৰপৰা ট্ৰেনগাড়ী ললোঁ হাইগেট হিলৰ তলত নামি ওপৰটি খোজ

কাঢ়ি যাওঁতে প্ৰায় ১১ বাজি পোন্ধৰ মিনিটমান হৈ গ'ল। দুই তিনিবাৰ লাহে লাহে "নক্" কৰাৰ পাছত একো শব্দ নেপাই তাত শোৱাৰ আশা এৰি দিলোঁ। পাছত এতিয়া কি কৰোঁ? ভাবি চাওক লণ্ডন কিমান ডাঙৰ চহৰ মোৰ, বয়স মাথোন ষোল, তাতে আকৌ বিলাতত দহ এঘাৰ মাহ মাথোনহে কেৱল বাস। মই বিষম সমস্যাত পৰিলোঁ। লাহে লাহে Highgate hillৰ বাটেৰে নামি আহিবলৈ ধৰিলোঁ, এৰাণ্ডেল্ হাউচৰ ওচৰতে ডাকোৱাল এটাই ডাক বাকচৰপৰা চিঠি পত্ৰ উলিয়াবলৈ দেখিবলৈ পালোঁ। যেনে পুলিচ্‌ম্যান, ক্যাব্‌ম্যান্ তেনে পোষ্টম্যানও। তেও লণ্ডনৰ বাটপথ ভালকৈ চিনি পায়। সেই ডাকোৱাল টোক মকলো কথা খোলোচা কৰি কলোঁ। সি মোক কলে যে ইমান ৰাতি ভাল হোটেলবোৰো খোলা নেথাকে--আৰু কি ক'লে মনত নাই কিন্তু এই কথা কেইটা বেছ মনত আছে যে "আপুনি মোৰ লগে লগে মই যিমান দূৰলৈ যাওঁ আহিব পাৰে। চিঠি বোৰ মোৰ "ষ্টৰ" বাকচবোৰৰপৰা উলিয়াওঁতে এক মান বাজিব। আপুনি মোৰ লগতে সেই সময়লৈকে থাকিব পাৰে।" পাছত তাৰে সৈতে তেনেকৈ গলোঁ। যাওঁতে ২ তাৰো কাম শেষ হলগৈ। ইতিমধ্যে দুটা পুলিচম্যানে এটা বাটৰ মূৰত কথাকৈ থকা দেখিলোঁ। সিহঁতকো মোৰ দুৰ্দ্দশাৰ কথা কলোঁ। সিহঁতে কলে "একো ভয় নাই ছাৰ, আপুনি মুঠে কাৰো সৈতে কথাবাৰ্ত্তা নকৰে, বাট পাহৰি গলে পুলিচম্যানক সুধিব। আমাৰ লগতে আমাৰ বীটৰ সীমালৈকে যাব পাৰে।" এনেকৈ সহানুভূতি পাই সিহঁতৰ লগত ফুৰিলোঁ। পাছত গৈ গৈ ক্যাম্‌ডেন্ টাউনৰ (Camden Town) বাটে দি গৈ হাম্পষ্টেড্ ৰোড্ পালোঁ। সেই বাটে দি গৈ গৈ ইউষ্টন্ ৰোডৰ (Euston Rod) ওচৰ পাওঁ পাওঁ হওঁতেই দেখিলোঁ যে বহুত মানুহে গোটখাই একেলগৈহে এটা ঘৰৰ ওপৰৰফালে চাই আছে। মই গৈ ওচৰ চাপি সোধাত শুনিলোঁ যে "ফায়াৰ"। তাতে এঘণ্টা মান সেই গণ্ডগোল চাই থাকিলোঁ। তাৰ আগেয়েই "ফায়াৰ" ব্ৰিগেডৰ মানুহ আহি জুই নুমাবৰ যতন কৰিছিলহি। সোধাত জানিলোঁ যে কোনো মানুহৰ জীৱনৰ হানি হোৱা নাই। জুই লাহে লাহে নুমাবলৈ ধৰাত মঞো লাহে লাহে খোজ ললোঁ। মোৰ ইচ্ছা যে যিমান দূৰ বাটেদি যাব পাৰোঁ গৈ লিভাৰপুল ষ্ট্ৰীটৰপৰা প্ৰথম ট্ৰেইন ধৰি কেম্ব্ৰিজলৈ যাওঁ। টটেনহাম কোৰ্ট ৰোডেদি (Tottenham Court Road) গৈ নিউ অক্সফোৰ্ড ষ্ট্ৰীটৰ (New

oxford Street) বাঁও ফালেদি গলোঁ। পাছত সেই New oxford Streetৰ বাটেৰে গৈ হোবাৰ্ণ, (Hoeborn) চীপ্‌ছাইড (Cheapside) নিউগেট্ ষ্ট্ৰীটে দি গৈ গৈ বেংক্ অব্ ইংলণ্ডৰ ওচৰেদি গৈ লিভাৰপুলষ্ট্ৰীট ষ্টেশন পালোঁ গৈ। তেতিয়া প্ৰথম ট্ৰেইন যাবৰ এঘণ্টা কি দেড় ঘণ্টামান বাকী আছিল। বাটচোৰা ঘৰৰ আশ্ৰয়তে সেই খিনি সময় কটাই ক্লোক ৰুমৰপৰা বস্তুখিনি লৈ ৰেলত উঠিলোঁগৈ।

সেই ৰাতি প্ৰায় সাত মাইলমান খোজ কাঢ়িলোঁ। এই পুলিচ্‌ম্যান্ আৰু পোষ্টম্যানৰ সহানুভূতি নোপোৱা হ'লে মোৰ বৰ বেয়া লাগিল হেতেন। পাছত প্ৰীয়েৰ্চ পৰিয়ালক এই বিষয় জনোৱাত তেওঁলোকে বেজাৰ কৰি লেখিলে যে অলপ টানকৈ "নক্" কৰা হ'লে তেওঁলোকে সাৰ পালে হেতেন। কিন্তু মই তেওঁলোকক ৰাতি এঘাৰটা বজাত সিছাকৈহে কষ্ট দিব খুজিছিলোঁ। তেওঁলোক বৰ সোনকালে শুবলৈ যায়—তেওঁলোকৰ পক্ষে এঘাৰ বজা ৰাতি দুই বজাৰ দৰে। সেই দেখি তেওঁলোকক টোপনিৰপৰা নুতুলি ভালেই কৰিলোঁ। তেনে সহানুভূতি আমাৰ দেশৰ পাহাৰাৱালাবোৰৰ আৰু ডাকোৱালবোৰৰপৰা পালোঁ হেতেন নে নাই। তাকে মই এতিয়াও কেতিয়াবা কেতিয়াবা ভাবোঁ।

মোৰ পক্ষে বতৰটোও বৰ অনুকূল আছিল। সেই মাহটো আছিল আগষ্ট। মে, জুন, জুলাই, আগষ্ট মাহত অৰ্থাৎ গ্ৰীষ্ম কালি সূৰ্য্যদেৱে তাত চাৰি বজা (ৰাতিৰ) মানৰ পৰা আৰম্ভ কৰে। তিমান দূৰ ফুৰি মোৰ একো ভাগৰ লগা নাছিল।

বিলাতত কিছুমান দিন থকাৰ পাছত এনে হোৱা হলে মই এটা হোটেলত গৈ আশ্ৰয় ললোঁ হেতেন সেই গোটেই ৰাতি তেনেকৈ বাটে বাটে ফুৰাত মোৰ একো অপকাৰ নহ'ল। জেপত দুপাউণ্ড আছিল—মোৰ ভয় লাগিছিল পাছে যদি কোনোবাই ডকা দি সেই টকা লৈ যায়। সেই দেখি মই ডাঙৰ বাটেদি খোজ কাঢ়ি গৈছিলোঁ। ডাঙৰ বাটত পুলিচ্‌ম্যান সৰহ যদি কোনোবাই টকা চুৰ কৰিবলৈ আহিল হেতেন তৎক্ষণাৎ সহায় পালোঁ হেতেন।

এই খিনিতে কৈ থওঁ যে প্ৰত্যেক ডাঙৰ ষ্টেশনৰ ওচৰতে প্ৰায়েই ডাঙৰ হোটেল একোটা থাকে। লিভাৰপুল ষ্ট্ৰীট ওচৰতে গ্ৰেট ইষ্টাৰ্ণ হোটেল—কিয়নো সেই ষ্টেশনটো গ্ৰেট ইষ্টাৰ্ণ ৰেলৰ টাৰ্মিনচ। মই হাইগেটৰ মিসেস্ প্ৰীয়েৰ্চৰ তাত শুম বুলি নেযোৱা হ'লে তাতে থকাটোৱেই ভাল আছিল।

হাইগেট পাওতে ট্ৰেন্, বন্ধ হৈ গ'ল—কিয়নো ৰাতি এঘাৰ বাৰবজাৰ পাছত সেই ৰোৱ প্ৰায়ে বন্ধ হয়—আকৌ ৰাতি পুৱা পাঁচ বজাৰপৰা চলিবলৈ আৰম্ভ কৰে। তেনে অৱস্থাত পৰিলে ডাঙৰ হোটেলবোৰলৈকে যোৱা উচিত। নজনা সুতুনা হোটেলবোৰলৈ যোৱা উচিত নহয়। পোষ্টম্যানটোৱেও মোক সেই উপদেশ দিছিল আৰু সেই উপদেশেই ভাল উপদেশ। মযো ইমান দিনৰ অভিজ্ঞতাৰ পাছত কওঁ যে সেই সেই হোটেলত থকা ভাল নহয়।

কেম্ব্ৰিজলৈ কিংচ্ ক্ৰচ্ (Kings Cross) ষ্টেশনৰপৰাও যাব পাৰিলোঁ হেতেন। কিন্তু মোৰ লগেজ আছিল লিভাৰপুল ষ্ট্ৰীটত আৰু কিংচ্ ক্ৰচৰ পৰাও সেই ট্ৰেণ দহবজাৰ আগেয়ে আছিল। সেই দিনেও আমাৰ আইধা। সেই দেখি সকলো কথা ভাবি চিন্তি এতিয়াও কওঁ যে মই সেইদিনা যি কৰিছিলোঁ ভালেই কৰিছিলোঁ। Kings Cross, Great Northern Railwayৰ টাৰ্মিনচ্।

বিলাতৰ ষ্টেশনবোৰত "ক্লোক ৰুমৰ" বাৱস্থাটো বৰ ভাল। প্ৰত্যেক টোপোলা কি বাকচেপতি ডপেনী কৰি দিলে সেই টোপোলা কি বাকচ এদিন থৈ দিয়ে। মই সেইদিনা লণ্ডনত ইমান ঘূৰিলোঁ, ক'ৰ হাইগেট্, ক'ৰ বেজ-ওয়াটাৰ, ক'ৰ ব্ৰিক্ষ্টন (Brixton) লগে লগে সেই বাকচবোৰ লৈ যোৱা হলে মোৰ পইচাৰ পিনে পইচা খৰচ হ'ল হেতেন আৰু আন পিনেও নানান লগুৰনাধি হ'ল হেতেন। আমাৰ ভাৰতবৰ্ষতো ডাঙৰ ডাঙৰ ষ্টেশনবোৰত এই ব্যৱস্থা আছে যেন পাওঁ কিন্তু প্ৰত্যেক ষ্টেশনত এনে ব্যৱস্থা থাকিলে, "মোচাফিৰ" মানুহৰ পক্ষে বৰ সুবিধাজনক হয়। অৱশ্যে ৰেলৰ বাট-চোৱা ঘৰবোৰত বস্তু তেনেকৈ থৈ যাব পাৰি, কিন্তু সি প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ যাত্ৰীৰ পক্ষেহে সুবিধাজনক আৰু লগত এটা চাকৰ থাকিলেহে তেনে সুবিধা পোৱা যায়। বিলাতত হ'লে সকলো যাত্ৰীয়ে Cloak Roomত বস্তু থব পাৰে অৰ্থাৎ যি মানুহে দিনে দুপেনীকৈ টোপোলা কি বাকচেপতি দিব পাৰে।

আমাৰ ইয়াৰ মানুহ সকলে কয়, "মিষ্টাৰ গ্লেড্ষ্টোনে তৃতীয়শ্ৰেণীত ফুৰিছিল।" কিন্তু তাৰ তৃতীয়শ্ৰেণী আৰু ইয়াৰ তৃতীয়শ্ৰেণীৰে ভেদ ভিন। যদিও অৱশ্যে মি গ্লেড্ষ্টোনৰ দৰে মানুহৰ বাবে তৃতীয় শ্ৰেণীতে ফুৰাটো এটা আচৰিত আৰু গৌৰৱৰ কথা। তাত তৃতীয় শ্ৰেণীত ফুৰাটোৱেই নিয়ম, প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত

তাকৰ ভাগ মানুহেহে ফুৰে। এই বিষয়ে আগেয়েই উল্লেখ কৰিছোঁ। ইয়াত থিবোৰ মানুহে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত ফুৰে তাৰে গলে তৃতীয় শ্ৰেণীতহে সৰহ ভাগেই ফুৰিব। কিন্তু গ্লাড্ষ্টোনৰ তৃতীয় শ্ৰেণীত ফুৰাটো তেওঁৰ মাহাত্ম্যৰ চিন্। কিন্তু তেওঁও বোধ কৰোঁ ইয়াৰ তৃতীয় শ্ৰেণীত ফুৰিব নোৱাৰিলে হেতেন। ডিউক কি মাৰ্কুইচ্ এনে এজন মানুহে শুনিছোঁ বোলে তৃতীয় শ্ৰেণীত হে ফুৰিছিল, কিন্তু তেওঁৰ ফুৰাত অলপ নতুনত্ব আছিল, যে তেওঁ যি খন গাৰীত উঠিছিল, তাৰপৰা সকলো যাত্ৰীক ওখ শ্ৰেণীলৈ পঠাই নিজে তৃতীয় শ্ৰেণীত সুখেৰে ফুৰিছিল। অৱশ্যে নিজে সেই ওখ শ্ৰেণীৰ কেৰেয়া দিছিল। কিন্তু এনেকৈ তৃতীয় শ্ৰেণীত ফুৰাৰ লাভ কি? আৰু কেই জনেই বা তেনেকৈ আনৰ ওখ শ্ৰেণীৰ কেৰেয়া দি নিজে তৃতীয় শ্ৰেণীত ফুৰাৰ সুখ লব পাৰে?

মই সুন্দৰ মতে তৃতীয় শ্ৰেণীৰ গাৰী এখনত অকলৈ উঠি নানান্ আমাৰ দেশী গীত গাই চাৰিও পিনে প্ৰকৃতিৰ শোভা চাই কেম্ব্ৰিজ পালোঁ। গৈ। কেম্ব্ৰিজ ষ্টেশন পোৱাৰ আগেয়ে তাৰ ঘৰ বাৰী গিৰ্জা মন্দিৰৰ সুন্দৰ চূড়াবোৰ চকুৰ আগত পাৰি মানুহক কৈ দিয়ে "চোৱাহি চোৱাহি মই কেনে সুন্দৰ পুৰণি চহৰ" অথচ কেম্ব্ৰিজ-যদিও তেনে সুন্দৰ চহৰ নহয়। কেম্ব্ৰিজতকৈ অক্সফোৰ্ড-ডৰনি। এই বিষয়ে বাক পাছত কম।

ৰেল গাৰীৰপৰা কেম্ব্ৰিজৰ চূড়াবোৰ দেখাৰ কথা কৈছোঁ, কিন্তু ৰেল গাৰীৰ পৰা আমাৰ দেশৰ কাশী যেনে সুন্দৰ দেখি তেনে সুন্দৰ দৃশ্য ৰেল গাৰীৰ পৰা অতি কম হে দেখিবলৈ পোৱা যায়।

কেম্ব্ৰিজ ষ্টেশন পাই এটা নবাৰ মুৰত বাকচটো আৰু কিবা যদি সৰুসুৰা টোপোলাটোপুলি আছিল,[1] (নাছিল বোধ হয়) দি তাক ক'লোঁ যে "আপা, মোক টেনিচ্ কোৰ্ট ৰোডলৈ লৈ যা।" সেই বাটৰ ২৭ নম্বৰত তেতিয়া মিঃ সুকুমাৰ সেন (মোৰ ডনেৰা জাহাজৰ সহযাত্ৰী) আছিল। তেওঁৰ ঘৰলৈকে গ'লোঁ। এই বাটটো Downing Collegeৰ পাছত। এই কলেজটোত বহুত টেনিচ্ কোৰ্ট। কলিকতাত যে আজিকালি অসমীয়া মেচ্খন শ্ৰীযুক্ত লোহিতচন্দ্ৰ ভূঞাই পাতিছে তাৰপৰা যেনে C. M. S. Collegeৰ "লন্" (Lawn) দেখিবলৈ পোৱা যায় ঠিক সেই বাটৰপৰা Downing Collegeৰ "লন্" মোৰ তেনে দেখা গৈছিল। মাথোন এই

কেম্ব্ৰিজৰ কলেজৰ "কম্পাউণ্ড" কলিকতাৰ এই কলেজৰ "কম্পাউণ্ডত" কৈ প্ৰায় সাতগুণ মান ডাঙৰ হ'ব।

এই বোৰ বিষয় আশা কৰোঁ আপোনাৰ পাঠকবৰ্গে অপ্ৰাসঙ্গিক (irrelevent) বুলি নেভাবে। অলপ মন দি পঢ়িলে ইংলণ্ডীয় জাতিৰ ভাল গুণবোৰ বিশেষ ৰূপে তেওঁলোকে জানিব পাৰিব।

সেইবাৰ কেম্ব্ৰিজত পোন্ধৰ কি কুৰি দিনমান আছিলোঁ। মই যোৱাৰ দুদিন মানৰ পাছত মিঃ সেন্ লণ্ডনলৈ গ'ল আৰু মই অকলে এটা শোৱা খোটালী আৰু বহা খোটালী লগালগি পাই মহা সুখে সেই কেটা জহৰ দিন কেম্ব্ৰিজত কটালোঁ।

শ্ৰীজ্ঞানদাভিৰাম বৰুৱা।

আসামত পাটৰ কাপোৰ।

অলপতে বাঁহীত দেখিলোঁ, আমাৰ দেশত পাটৰ উন্নতি কৰিবলৈহলে আমাক প্ৰথমেই এটা ফণ্ড লাগে, আৰু কিছুমান ডেকাই বিদেশত গৈ বৈজ্ঞানিক নিয়মে পাটহতাকটা, কল-কৌশল শিকি আহিব লাগে। কিন্তু আমি কব খোজোঁ, টকা তুলি ফণ্ড খোলা বা বিদেশৰ কল-কৌশল শিকি অহাৰপৰা আমাৰ একো উপকাৰ নহয়। আমাৰ গুৰিতে সুবন্দৱস্ত নহলে এই বিলাক চেষ্টা কৰাৰপৰা যে আমাৰ কিবা লাভ হব, তাক আমি আশা কৰিব নোৱাৰোঁ। আমাৰ বিবেচনাই আমাৰ সমাজৰ কুভাৱনা, কুবিশ্বাস দূৰ নহলে এইবোৰ ব্যৱসায়ত উন্নতি কৰা টান। আমাৰ দেশত পাট পলু কেৱল কাটনী বা যোগী জাতিৰ মানুহৰ বাহিৰে অন্য কোনো জাতিয়েই নোপোহে। কিন্তু এড়ি মুগা হলে ব্ৰাহ্মণ প্ৰভৃতি সকলো জাতিৰ মানুহেই পুহিব পাৰে। অথচ এড়ি, মুগা, পাট এই তিনিও বিধ এক শ্ৰেণীৰেই বস্তু। পাট এবিধ যেনেগা অস্পৃশ্য বস্তু নহয়। বৰঞ্চ এড়ি আৰু মুগাতকৈ পাট পলু পোহাৰ নিয়ম অনেক গুনে ভাল। এড়িমুগাৰ দৰে পাট পলু যেই সেই মানুহে পুহিব নোৱাৰে। সাধাৰণতে ঘৰৰ বুঢ়ী মানুহ আৰু সৰা জোৱালী নোহোৱা নিচুকীয়া মানুহে এই ব্যৱসায় বেছিকৈ কৰে। কাৰণ পলুপুহি প্ৰাতঃপান কৰা মানুহজনা শুদ্ধাচাৰিণী হ'ব লাগে। আৰু পলু পকি গুটিটোকে

ধুতিনীতিত ভালকৈ চলিব লাগে। পলু থোৱা ঘৰটো দুই তিন দিনে গোবৰ মাটিৰে মচি মাজে মাজে ধুনা গন্ধক আদি জলাব লাগে। এই ব্যৱসায়টি সচাঁকৈয়ে ধুতিনীতি আৰু পৰিষ্কাৰ পৰিচ্ছন্নতাৰ ওপৰতেই সম্পূৰ্ণ নিৰ্ভৰ কৰে। পাট পলু দুবিধ। বৰ পাট আৰু সৰু পাট। সৰু পাট প্ৰত্যেক মাহতেই হয়। বৰ পাট বছৰত এবাৰকৈহে হয়। ফাগুন মহীয়া যেতিয়া ইয়াৰ চকৰি জগিব, কণীবিলাক নিকা ফটাকানিৰে বান্ধি কলহৰ ভিতৰত সুমোৱাই থৈ, ঘুৰি মাথৰ বিছৰ দিনা গা ধুই উঠি কণীবিলাক উলিয়াব লাগে। কিন্তু পোৱালীহলে ইয়াৰ আগেয়ে জগি কণীৰ চোকোৱাৰ ওপৰত আহাৰ নিৰ্ভৰ কৰি থাকে। সেই দিনা পোৱালীবোৰ উলিয়াইয়েই হুনি গছৰ কুহিঁপাত দিব লাগে। পাট পলুৱে হুনিপাত খায়। এই বিলাকৰ পৰাই জানিব পাৰি যে, পাট পলুৰ ব্যৱসায়ত কোনো ঘৃণনীয় বা জাতিভ্ৰষ্ট হোৱা কাম কৰিব নেলাগে। তথাপি এই ব্যৱসায়টো কিয় ইমানকৈ ঘিণায় কৰ নোৱাৰি। এই বৃত্তিৰ পৰাই কাটনী বা যোগী জাতিৰ মানুহ আজিও সমাজৰ ঘৃণাৰ চকুত পৰি আছে; আৰু দিনেকদিনে এই জাতিৰ প্ৰতি হোৱা অসঙ্গত ঘৃণাৰ সোঁত প্ৰবল হৈ উঠিব লাগিছে। আন কি বিশ্ববিদ্যালয়ৰ উচ্চশিক্ষা পোৱা ডেকা সকলৰ ভিতৰতো এই অমূলক, যুক্তিহীন ঘৃণাৰ সোঁতে বৰকৈ ব্যাপিব লাগিছে। ইফালে গাঁৱলীয়া সমাজতো উচ্চ থাপৰ মানুহৰ আৰু সাধু মহন্তসকলৰ ঘৃণাৰ চকুৰ আগত তিষ্ঠিব নোৱাৰাত পৰিছে। আমাৰ যেনৰ গৰাকী আৰু ধৰ্ম্মৰ গুৰিয়াল গোসাঁইসকলেও পাট পলুৰ বৃত্তিটো অতি অস্পৃশ্য বুলি ঠায়ে ঠায়ে কাটনী জাতিৰ মানুহৰপৰা অনেক টকা কড়ি লৈ এই বৃত্তি একেবাৰেই উঠাই দি তেওঁলোকক ওপৰ থাপৰ জাতিৰ মানুহৰ শাৰীত ৰাখিছে। নগাওঁ জিলাৰ প্ৰায় চাৰিশ ঘৰমান মানুহে এই ব্যৱসায় এড়ি দি উচ্চ শ্ৰেণীৰ লগত ঠাই পোৱা দেখা গৈছে। অৱশিষ্ট মানুহেও এই বিষয়ে অনেক আন্দোলন কৰি আছে। গোঁসাইসকলেও এই বিষয়ে সাজু আছে; মাথোন টকা পালেই হয়। আজি কালি দুই এঘৰ মানুহৰ বাহিৰে অন্য বিলাকে এই বৃত্তি কৰা একেবাৰেই দেখা নেযায়। আন কি কোনো কোনো মানুহে এই ব্যৱসায় কৰিলেও সমাজৰ নিন্দা আৰু ঘৃণাৰপৰা অলপো মুক্তি পাবৰ আশা নাই বুলিহে কয়। আৰু পাট পলুৰ নাম শুনিলেই লজ্জা বোধ কৰি ইফাল সিফাল কৰে। গোৱালপাড়া আৰু কামৰূপৰ মানুহে এই বৃত্তিৰ সংস্ৰৱকেই নোপোৱাত পৰিছে। কোনোমতে মঙ্গলদৈ আৰু ওপৰ আসামৰকালেহে অস্থিমাত্ৰ

আছে। যদি এই বৃত্তিৰ দ্বাৰা বাস্তৱিকেই জাতি ভ্ৰষ্ট হয় তেনে হলে টকাতুলি ফণ্ড খোলা বা বিদেশত কল-কৌশল শিকি অহাৰেই লাভ কি? বৰ্ত্তমান এই ব্যৱসায়ৰ প্ৰতি মানুহৰ যেনে অনাদৰ হব ধৰিছে, দুই এবছৰৰ ভিতৰত ই একেবাৰেই লুপ্ত হব। এতেকে আমি কওঁ যে এই ব্যৱসায়টো লুপ্ত নহৈ যাতে সকলোৰে মাজত আদৰণীয় হয়, আৰু সকলোৱে যাতে এই বৃত্তি ধৰিবলৈ চেষ্টা কৰে, তাৰহে উপায় কৰিব লাগে। কাটনী বা যোগী জাতিৰ মানুহৰ বাহিৰে অন্য মানুহে যে এই ব্যৱসায় কৰিব নেপায়, তাৰ কোনো যুক্তি সঙ্গত কাৰণ দেখা নেপায়।

শ্ৰীগুণেশ্বৰ দাস।

নোৱনিৰ নাম।

ওলাই আহা আইদেও এ (বোপাদেও এ) মাতৃৰে পিছ ধৰি।
নোৱাবলৈ দৈ আছে বৰপীৰা পাৰি॥
ওলাই আহা আইদেও পইজাৰত দি ভৰি।
নোৱাবলৈ দৈ আছে দৈ পাটেশ্বৰী॥
ৰাম ৰাম - শীতল শৰাতে উঠি বোপাদেয়ে নিচিকিয়াই হাহে।
লাহৰি বোপদেওক কোনে কি বুলিলে, নোৱনি ধৰলৈ নাহে॥
ৰূপৰে বাটিতে মাহে হালধি, পাৰি হাতীদাঁতৰ পাটী।
দদা বলোভদ্ৰৰ বাৰ্ত্তা শুনোৱা আনক কৃষ্ণচন্দ্ৰক মাতি॥
শিৱ—চান্দো চিকুণে, সূৰ্য্যও চিকুণে
চিকুণ সৰগৰে তৰা হে।
তাতোকৈ চিকুণে আমাৰে বোপাদেও,
ওলাল বৰবৰবৰণৰা হে॥
পূৰ্ণিমাৰ চন্দ্ৰ যেন আহিছে ওলাই।
দেখিলে পাতক হৰে হৃদয় জুৰায়॥
মাকৰে অঞ্চলতে সুধা মধু আছে।
তাৰে লোভত চিকুণ বোপা ফুৰে পাছে পাছে॥

মাতৃৰ আজ্ঞা পাই বোপা পিছে পিছে গল।
বেইৰ গুৰি পাই বোপা থমকিয়া ৰল॥
ৰাম ৰাম—আঁচলতে ধৰি লৈ যায় মাতৃগণে লাহৰিক বেইৰে তলে।
মাহে হালধি ঘঁহিয়েই নোৱায় সুগন্ধি শীতল জলে!
বেইৰে চৌপাশে ঘূৰে নয়নাসে মাতৃৰ অঞ্চলতে ধৰি।
সৰু ভনীটীয়ে দৈ-পানী মাৰে ৰূপৰে বাটীতে ভৰি॥
বেইতে ঘুৰিবা লাজে নকৰিবা, আপোনাৰ ধৰমৰ বিয়া।
বেইতে ঘূৰোঁতেই ঘূৰণী লাগিব, সোমাই বৰপীৰা পোৱা॥
চিকুণী আইটী, ঘূৰে পৰমানন্দ ঘূৰে কি কাৰণে হে।
ঘুৰিছে পৰমানন্দ বিবাহৰ কাৰণে হে॥
ৰাম ৰাম—মাকৰ পিছে পিছে পাঁচবাৰ ঘূৰিছে, নটুৱাই বাইছে তাল।
চাউল চাটি মাৰি ভনীটী ঘূৰিছে, আমিও দেখিছোঁ ভাল॥
নামাৰিবা নামাৰিবা দৈ-পানীৰ চাট।
হা হৰি! সুন্দৰ ভৰি মোনান পৰে তাত॥
এ সুবৰ্ণে খচিত বেই এ, প্ৰবেশ কৰিবা গৈ এ।
এ বহা হেঙুলীয়া পীৰাত এ, হালধি ঘঁহিবা গাত এ॥
ব্ৰজনাথ এ বহিবা দিব্য আসনে।
সুবৰ্ণৰ ভৃঙ্গাৰ আনি মাতৃয়ে ঢালিব পানী,
নোৱাব ভগিনীগণে॥

জয়, ডালিম থিয় কৰি, জয়, মুৰত তেলে দিবা।
জয়, সুগন্ধ মালতীৰ হাতে।
জয়, পাঁচজনা আয়তী, জয়, ডালিমত ধৰিবা,
জয় গান্ধতেলে দিবা তাতে॥
জয়, সেৱা সৰিয়হৰ চিকুণ তেল এটুপি, কোমলদৈ বাহৰে ফণি।
জয়, লাহেকৈ মেলাবা এডালি চিগিব, আইটীৰ চেনেহৰ চুলি॥
শিৰত পানী দিবা, ধাৰে নিছিৰিবা, বেইতে কলসী থবা॥
মাহে মখাহি, ঘঁহিবা হালধি, আইটীক স্নানে কৰাবা॥

মাহতে মুথা দিবা তৈল হালধিতে।
সুগন্ধ মালতীৰ হাতে ঘঁহিবা গাৱতে॥
হালধি বাটিলে কোনে গৰচীয়া হল।
শীতলীয়া গাৱ পাই পিচলিয়া গল॥
হৰি মোৰ—কিনো হালধি বাটিলা মালতী পৰুৱা পিৱে পিৱায়।
জাতি চন্দনৰ এচাটি মাৰিবা, থাকিব মনে মনাই॥
গঙ্গাজল আনিছে, ভৃঙ্গাৰে ঢালিছে, বস্ত্ৰ পিন্ধিছে টানি।
বৰ চানৰ পীৰা, তলে চাৰি খুৰা, বৈ যায় হালধিৰ পানী॥
নোৱাই ধুৱাই বোপাদেওৰে মগছিলে চুলি।
ভৃঙ্গাৰে ঢালিছে জল গঙ্গা গঙ্গা বুলি॥
ৰাম ৰাম—গা চাই গামোছা আনাগৈ ভনীটি!
ককাল চাই আনাগৈ ধুতি।
মুখ চোৱা আৰ্চীখন আনাগৈ বাইদেওৰ।
সেন্দুৰ ফোঁট লব পায় আজি॥
গা ধুই আইটীয়ে মাকক সুধিলে, কি কাপোৰ পিন্ধিব পায়?
ছাঁতে ভকুৱা, মুঠিতে নুকুৱা, সেই কাপোৰ পিন্ধিব পায়॥
হৰি মোৰ—জাৰে কম্পে হিয়া, বস্ত্ৰ পেলাই দিয়া, বাপাৰে সাদৰী আই!
আতি বিতোপন আনিবা ভূষণ, বাপাকে বিহে শুৱায়॥
স্বৰ্গৰপৰা মাতে সখি, হাঁহে সখি হাঁহে মিচিকাই।
কেতেবেলি নোৱায় ধুৱায়, জাৰত দুঃখ পায়॥
নোৱাই ধুৱাই বোপাদেওকে কৰিলেক শেষ।
ইন্দ্ৰে আনি পেলাই দিছে ৰাজ-যোগ্য বেশ॥
ধুৱাই তুলিলে যাহক সোনৰে পুতলি হৰি এ।
ধুৱাই তুলিলে গোৰীক সুবৰ্ণৰ প্ৰতিমা হৰি এ॥

শ্ৰীপদ্মাৱতী দেবী ফুকননী।

প্ৰশ্ন।

সম্পাদক ডাঙৰীয়া,

তলত গোটাদিয়েক কথা মিমাংসাৰ অৰ্থে দিয়া হল। এই ধৰণৰ কথা লৈ অনেক মত আৰু ভাব দেখা যায়। অনুগ্ৰহ কৰি কথাকেইটি আপোনাৰ কাকতত প্ৰকাশ কৰিব। লগে লগে ইয়াকো নিবেদন কৰা হল যেন জনাবুজা সকলে শাস্ত্ৰ ও যুক্তিসঙ্গত মিমাংসা আপোনালৈ বা আমালৈ পঠাই বাধিত কৰে। মীমাংসাত শাস্ত্ৰৰ নামৰ লগে লগে পদ বা শ্লোকৰ সংখ্যা উল্লেখ কৰিলে বিশেষ অনুগ্ৰহ বুলি বিবেচনা কৰা হব।

বিনীত
শ্ৰীশ্ৰীশঙ্কৰদেৱ মন্দিৰ সমিতিৰ সম্পাদক
শ্ৰীগোলোকনাথ হাজাৰিক।
নগাওঁ আসাম।

কথা।

১। শ্ৰীশ্ৰীশঙ্কৰদেৱৰ "গুৰুমত" আৰু "গুৰুধৰ্ম্ম" বুলিলে কি বুজা যায়?

২। ব্ৰহ্ম সংহতি, পুৰুষ সংহতি আৰু কাল সংহতি কিয় বোলে? আচৰণ প্ৰবৰ্ত্তনত কিবা প্ৰভেদ আছেনে? প্ৰত্যেক সংহতিৰ উপাস্য দেৱতা কোন? বৈষ্ণৱ ধৰ্ম্মত বেলেগ বেলেগ সংহতিৰ আবিৰ্ভাৱ কৰাৰ উদ্দেশ্য কি? নিকা সংহতি বুলি কিবা সংহতি আছেনে? যদি আছে, ইয়াৰ আচৰণ প্ৰবৰ্ত্তন কেনে?

৩। মহন্ত কিয় বোলে? মহন্ত সকলৰ আচৰণ প্ৰবৰ্ত্তন কেনে হব লাগে?

৪। গুৰু কিয় বোলে? গুৰুৱে শিষ্যক কেনে শিক্ষা দিব লাগে? গুৰু সকলৰ আচৰণ প্ৰবৰ্ত্তন কেনে হোৱা উচিত? কি কৰ্ম্মৰ দ্বাৰাই গুৰু শিষ্যৰ সম্বন্ধ ঘটে? গুৰুৱে শিষ্যৰ পৰা কৰ লব পায়নে? কৰলোৱা প্ৰথা কেতিয়াৰ পৰা চলিত হল?

৫। ভক্ত আৰু বৈষ্ণৱৰ প্ৰভেদ কি? তেওঁবিলাকৰ কোন জন শ্ৰেষ্ঠ? ভক্তি আৰু মুক্তিৰ সম্বন্ধ কি? পৰমেশ্বৰৰ বাহিৰে আনত ভক্তি সিজিব পাৰেনে?

৬। ভকত মহন্ত সকলে হাঁহ, ছাগলি, পাৰ পুহিব পায়নে? যদি নাপায়, কিয় নাপায়? যদি পায়, কোন শাস্ত্ৰত উল্লেখ কৰা আছে? ভকত মহন্তে

কোনো চাকৰি কৰি দৰ্ম্মহা খাব পায়নে? যদি নাপায়, কেনে বৃত্তিনো অৱলম্বন কৰিব পায়?

৭। কেৱলীয়া ভকত মানে কি? উদাসীন অৰ্থাৎ কেৱল বিয়া নকৰাই গৃহস্থী নোহোৱাকে কেৱলীয়া বোলেনে? এই প্ৰথা দুজনা মহাপুৰুষে অনুমোদন কৰিছিলনে? কেৱ ীয়া ভকতৰ লক্ষণ কি?

৮। সপ্তসুৰা কোন কেই বিধ? ভকত মহন্তে তাক খাব পায়নে? খালে কি দোষ?

৯। শ্ৰীশ্ৰীশঙ্কৰদেৱে মূৰ্ত্তি পূজা কৰিছিল বা কৰাইছিলনে? যদি নাই কৰা বা কৰোৱা তেনে হলে ৺বৰদোৱাৰ দ'ল কি অৰ্থে হৈছিল আৰু তাতৈ মূৰ্ত্তি কৰপৰা আহিল? যদি কৰিছিল বা কৰাইছিল তেনেহলে "হৰি ৰাম, হৰি ৰাম এ মূল মন্ত্ৰ। কলিত নাহি তপ, জপ, যজ্ঞ যন্ত্ৰ" এই ফাকিৰ মনে কি আৰু ইয়াৰ লগত "মুখে বোলা ৰামকৃষ্ণ হৃদয়ে ধৰা ৰূপ। এতেকে মুকুতি পাইবা কহিলোঁ স্বৰূপ।" ইয়াৰ সামঞ্জস্য কেনেকৈ হৈছে?

১০। শ্ৰীশ্ৰীশঙ্কৰদেৱে প্ৰেম ভক্তি শিক্ষা দিছিল নে? সখ্য, বাৎসল্য, দাস্য আৰু প্ৰেম বা মধুৰ এই চাৰি বিধ ভক্তিৰ কোন বিধ ভক্তি মহাপুৰুষৰ অনুমোদিত? শ্ৰৱণ কীৰ্ত্তন এই চাৰি বিধৰ অন্তৰ্গত নে বেলেগ?

১১। "ভাটি যোৱা" কিয় বোলে? যদি ই কোনো সম্প্ৰদায়ক বুজায় সেই সম্প্ৰদায় মতে বৰ্ত্তমানত কোন প্ৰবৰ্ত্তিছে?

১২। মহাপুৰুষে মুছলমানক শৰণ দিছিল নে? যদি দিছিল তেওঁ বিলাকক কেনে প্ৰকাৰে ৰাখিছিল? অন্যান্য ভকতৰ শাৰীত তেওঁবিলাকে ঠাই পাইছিল নে? মহাপুৰুষীয়া পন্থত জাতিভেদ কিমান প্ৰবল?

১৩। জীৱ থকা প্ৰাণীৰ জীৱ গলেই মৰাশ নহয় নে? যদি হয়, তেনেহলে নীচ জাতিয়ে চোৱা মৰাশ উচ্চ জাতিৰ পক্ষে অপবিত্ৰ নহব নে? যদি হয়, তেনেহলে নীচ জাতিয়ে মৰা মাছ পছ উচ্চ জাতিয়ে কিয় ব্যৱহাৰ কৰে?

১৪। "তামোল নোখোৱা" কিয় বোলে? যদি ই কোনো সম্প্ৰদায়ক বুজায় সেই সম্প্ৰদায় মতে বৰ্ত্তমানত কোন প্ৰবৰ্ত্তিছে? এই পন্থ কোনে প্ৰচাৰ কৰিছিল?

নিবেদন।

মুকলি কৰি হৃদয় দুৱাৰ
বৈ আছোঁ তোমালৈ,
আহাঁ মোৰ দেৱ প্ৰেমৰ পুতলা
কৃপাৰ ভাণ্ডাৰ লৈ।

পূজাৰ সমল বেলপাত ফুল
ধূপ, দীপ ভক্তিহীন,
কিহৰে বৰিম চৰণ দুখানি
নাহে পূৰ্ণ আবাহন।

বেলপাত ফুল উৰুৱাই নিলে
ধূপ পুৰি হল ছাই,
আয়োজন মো ৷ সকলো বিফল
মন্দিৰত প্ৰভু নাই!

শূইন বেদিত নথাকনো মই
নবিমনে আৰতি দেৱ,
প্ৰেম-অশ্ৰু িহীন বিফল
পুণ্য অভিষেক তৱ।

নামত হে প্ৰভো! তুমি দয়াময়
কামত কঠোৰ হিয়াঁ,
আকুল পাঠকে বাট বিচাৰিলে
দুৱা দি ভিতৰ হোৱা।

এটিবাৰ মাথোঁ হোঁৱাহি সজীৱ
বিজুলী চমক মাৰি,
তোমাৰ অতুল ৰূপটি চাওঁ
হিয়া মোৰ জুৰ কৰি

অন্তৰ মোৰ বিকশিত হক
তোমাৰ মন্ত্ৰ বলে,
পৰাণ মোৰ উথলি উঠক
(তোমাৰ) সৌৰভ আমোলমোলে।
কৃপা তোমাৰ বিয়পি পৰক
প্ৰতিবিম্ব কণিকাত,
কপঁক হিয়া আবেগে অধিৰ
কৰোঁ মই প্ৰণিপাত।

মৰাণ।

পুৰণি আসামত নৰ-বলি।

পুৰণি আসামত নৰ-বলি দিয়াৰ প্ৰথা আছিল। এসময়ত যেতিয়া আসামত তান্ত্ৰিক ধৰ্ম্মৰ প্ৰচলন আছিল, তেতিয়া প্ৰায় সকলো জাতিৰ ভিতৰতে নৰ-বলি দিয়াৰ প্ৰথা চলিছিল। চুটীয়া, কোচ, কছাৰী, টিপাৰা, আৰু আন আন অসমীয়া জাতিয়ে নৰ-বলি দিছিল। আসাম-বুৰঞ্জীত এই বিষয়ে স্পষ্ট লিখা আছে। সেইটো চাহাবৰ বুৰঞ্জীৰ সহায়তাত আমি আভাস দি থলোঁ মাথোন।

চুটীয়া জাতিটো ঘোৰ কালীভক্ত আছিল। দেউৰী নামেৰে তেওঁবিলাকৰ নিজৰ পুৰোহিত আছিল। সেই দেউৰীবিলাকে কেঁচাইখাতী গোসাঁনীক নৰ-বলি দি পূজিছিল। আহোমে চুটীয়া ৰাজ্য দখল কৰাৰ পাছতো দেউৰীবিলাকে নৰ-বলি দিছিল। কিন্তু তেতিয়া প্ৰাণদণ্ডৰ আদেশ হোৱা অপৰাধীক হে তেওঁবিলাকে বলি দিব পাৰিছিল। "The person selected was fed sumptuously, until he was in sufficiently plump condition to suit the the supposed taste of the goddess, and he was then decapitated at the Copper Temple at Sadiya, or at some other shrine of the tribe."। বলি দিব খোজা মানুহটোক বেচেঁক খুৱাই

গোসাঁনীৰ মনোৰঞ্জন হবলৈ মোদোৰ-পোদোৰ কৰি, সদিয়াৰ তামৰ মন্দিৰত বা আন কোনো পীঠস্থানত বলি দিয়া হয়।

কোচবিলাকেও নৰ-বলি দিছিল। ১৪৮৭ শকত নৰনাৰায়ণ ৰজাই কামাখ্যা-মন্দিৰ পুনৰ নিৰ্ম্মাণ কৰায়। সেই মন্দিৰ প্ৰতিষ্ঠা কৰোঁতে অনেক মানুহ বলি দিয়া হৈছিল। সেই বলিৰ সংখ্যা সাত-কুৰিৰ কম নাছিল। বলি যোৱা মানুহবিলাকৰ মূৰবোৰ তামৰ পাত্ৰত গোসাঁনীৰ আগত দিয়া হৈছিল। ভোগী নামেৰে কামৰূপত এশ্ৰেণী মানুহ আছিল; তেওঁবিলাক উপযাচি বলি গৈছিল। বলি যাবলৈ স্থিৰ হোৱা দিনৰেপৰা বলিযোৱা সময়লৈকে সকলোৱে তেওঁবিলাকক বিশেষ ৰকমে খাটিৰ কৰিছিল; তেওঁবিলাকৰ যি ইচ্ছা তাকে কৰিবলৈ এৰি দিছিল, আৰু তিৰোতা মাত্ৰেই তেওঁবিলাকৰ আজ্ঞাবহ আছিল। কিন্তু বছৰেকীয়া উৎসৱৰ সময়ত তেওঁবিলাকক বলি দিয়া গৈছিল! "According to the Haft Iqlim there was in Kamrupa a class of persons called Bhogis, who were voluntary victims; from the time when they anounced that the goddess had called them, they were treated as privileged persons; they were allowed tó do whatever they liked, and every woman was at their command."। সেই দৰে হাজো-মন্দিৰ দ্বিতীয় বাৰ নিৰ্ম্মাণ কৰাই প্ৰতিষ্ঠা কৰোঁতেও অনেক নৰ-বলি দিয়া হৈছিল।

জয়ন্তীয়া ৰজাবিলাক ঘোৰ শাক্ত আছিল। তেওঁবিলাক নৰ-বলি দিয়াত অগ্ৰগণ্য আছিল। "There is a spot in the Faljur porogana, where Satis left thigh is said to have fallen, and here human victims were immolated yearly on the ninth day of the Durga Puja. Similar sacrifices were also offered on special occasions, such as the birth of a son in the royal family or the fulfilment of some request made to the gods. Frequently the victims were self-chosen, in which case for some time previous to the sacrifice they enjoyed the privilege of doing whatever they pleased without let or hinderence,

Sometimes, however, the supply of voluntary victims ran short and then strangers were kidnapped from foreign territory."। ফাল্‌গুৰ্‌ পৰগণাত এডোখৰ ঠাই আছে, তাত সতীৰ বাওঁ উৰু পৰিছিল বুলি শুনা যায়। সেই ঠাইত দুৰ্গাপূজাৰ নৱমীৰ দিনা বছৰে বছৰে নৰ-বলি দিয়া হৈছিল। ৰজাৰ কোনো লৰাৰ জন্ম বা কোনো প্ৰাৰ্থনা সফল হলেও, তেনে বলি দিয়া গৈছিল। সচৰাচৰ বলিবিলাক নিজে উপযাচি গৈছিল। তেতিয়া তেওঁবিলাকে বলি যোৱাৰ আগলৈকে একো বাধা-বিঘিনি নোহোৱাকৈ যি ইচ্ছা তাকে কৰিবলৈ সুচল পাইছিল। অৱশ্যে মাজে সময়ে এনে উপযাচক বলিৰ যোগান কম পৰে, আৰু তেতিয়া আন ৰাজ্যৰপৰা হাটকুৰা-বাটকুৰাক ধৰি অনা হয়।

কছাৰীবিলাকেও নৰ-বলি দিয়াৰ উল্লেখ পোৱা যায়। মাইবঙত এঠাইত ভগা মন্দিৰৰ ভেঁটি এটা আছে। শুনা যায় যে সেই ঠাইত আগেয়ে নৰ-বলি দিয়া হৈছিল।

শ্ৰীসজীনাথ ফুকন।

গদ্য কবিতা।*

সপোন।

এদিন সপোনত মই কিছুমান লগৰীয়াৰে সৈতে এটা বহল মুকলি খোটালীত বহি থকা দেখিছিলোঁ। আমাৰ লগত কিছুমান লৰাছোৱালী আৰু বুঢ়ামানুহো আছিল, আমি সকলোৱে হাঁহি মাতি বং মনেৰে নানা তৰহৰ কথা পাতি হাইউৰুমি কৰি সময় কটাইছিলোঁ।

হঠাতে বাহিৰৰপৰা ভোঁ ভোঁ শব্দ কৰি ডাঙৰ পোক এটা ভিতৰলৈ উৰি আহি ঘূৰি ঘূৰি বেৰখনৰ ওপৰতে পৰিলহি। ই এটা নতুন ধৰণৰ পোক, দেখিবলৈ বৰলটোৰ দৰে হলেও আতকৈ কেবাগুণেও ডাঙৰ আৰু দীঘল। তাৰ পাখি দুখন হালধীয়া, গাটো কলা, মুখটো আৰু দীঘল শুং দুডাল একেবাৰে তেজৰ দৰে ৰঙা —যেন অসৰাৰপৰা তেজেৰে বোলাইহে আনিছে।

---

* Tourgenevৰ ছাঁ লৈ লিখা—

সি আমাৰ চাৰিওফালে তাৰ দীঘল শুং দুডাল জোকাৰি উৰি উৰি আকৌ বেৰখনত পৰি এটা আচৰিত ৰকমৰ মাত মাতিবলৈ ধৰিলে।

আমাৰ ভিতৰত কোনেও এনেকুৱা এটা পোক আগেয়ে কেতিয়াও দেখা নাছিল। সেই কাৰণে ইয়াক দেখি আমাৰ সকলোৰে ভয় লাগিছিল। আমি ভয়ত চিঞঁৰি চিঞঁৰি কবলৈ ধৰিলোঁ "এই ভয় লগা জন্তুটোক খোটালীটোৰপৰা উলিয়াই দে।" সকলোৱেই আৰফালে নিজ নিজ চেলেঙৰ আগেৰে খোচাবিবলৈ ধৰিলে, কিন্তু ভয়ত কেৱে কাষ চাপিব নোৱাৰিলে। শেষত যেতিয়া সি আকৌ উৰিবলৈ আৰম্ভ কৰিলে তেতিয়া এটাইবোৰে তাৰ কাষৰপৰা আঁতৰি আঁতৰি ফুৰিবলৈ ধৰিলে।

কিন্তু আমাৰ ভিতৰৰ এজন ডেকাই এইবোৰ একোকে বুজিব নোৱাৰি আমাৰ ফালে আচৰিত হৈ চাই আছিল। আমাৰ ভয়ৰ কাৰণ কি আৰু কিয়নো আমি এনেকুৱা চিঞঁৰবাখৰ লগাইছোঁ। এনেকে দুবুজি তেওঁ মাখোন আমাৰ ফালে চাই হাঁহিবলৈ ধৰিছিল আৰু ভাবিছিল, যে আমি ধেমালিহে কৰিছোঁ, তেওঁ সেই পোকটো দেখা নাছিল আৰু কি তাৰ মাতো শুনা নাছিল।

সেই ডেকাজনে আমালৈ তেনেকৈ চাই থাকোঁতেই সি হঠাতে তেওঁৰ ফালে উৰি গ'ল আৰু ঠিক চকুদুটাৰ মাজৰ কপালৰ ঠাইখোখৰতে কামোৰমাৰি দিলেহি। তেওঁ তেতিয়াই এটা চিঞঁৰ মাৰি মাটিত পৰি মৰি থাকিল আৰু লগে লগে সেই পোকটোও খিলিকি দুৱাৰেদি বাহিৰলৈ উৰি গ'ল।

তেতিয়াহে মাখোন আমি আমাৰ কাষলৈ কোন আহিছিল বুলি বুজিব পাৰিলোঁ।

উৎসাহ।

কত সময়ত নিচেই সামান্য সৰু সৰু ঘটনা একোটায়ো মানুহৰ গোটেই জীৱনটো পৰিবৰ্ত্তন কৰি দিয়ে!

মই বেজাৰ মনেৰে তললৈ মূৰ কৰি অকলে অকলে আলিবাটেদি গৈ আছিলোঁ, এটা গভীৰ দুৰ্ব্বহ আশঙ্কাই মোৰ গোটেই হৃদয়খন আৱৰি লৈছিল; নিৰাশাত গোটেই শৰীৰ অৱসন্ন আৰু কেনিও চাবৰ মন নাইগৈছিল। অলপ পৰৰ পাছতে মই মূৰ তুলি চালোঁ। দেখিলোঁ মোৰ সমুখত ওখোৰা নাহৰ গছৰ মাজেদি আলিবাটটো কাৰ খোৱানি বহুত দূৰলৈকে গৈছেগৈ।

আলিটোৰ সিপাৰে, মোৰপৰা দহ খোজমান আঁতৰত, জহকালিৰ পুৱা সূৰ্য্যৰ জিকমিকোৱা সোণালী কিৰণত কিছুমান টিপচী চৰায়ে উলাহতে নাচি নাচি ফুৰিছে। সিহঁতে নিজৰ ওপৰতে নিজেই নিৰ্ভৰ কৰি আৰু নিজৰ ভাবতে বিভোৰ হৈ নিজৰ গপতেই নানান্ ভঙ্গীৰে নাচিবলৈ ধৰিছিল।

সিহঁতৰ ভিতৰতে এটাই আকৌ একোলৈকে ভয় নেৰাখি উৎসাহতে নিজৰ সৰু বুকুখন আগবঢ়াই বঢ়াই লৰি লৰি খুব সাহেৰে চিঁঞৰবাখৰ কৰিছিল।—যেন কব খুজিছিল "চোৱাঁ মই একোলৈকে ভয়নকৰোঁ।" গঁচাকৈয়ে সি এটা সৰু সাহিয়াল মুজাৰু।

ইফালে আকৌ তাৰ মূৰৰ ওপৰতে আকাশত এটা শেন উৰিবলৈ ধৰিছিল। বোধ হয় আমাৰ এই সৰু যুজাৰুটোক থাপ্ মৰাই তাৰ উদ্দেশ্য।

আৰুউ এবাৰ চালোঁ আৰু দেখিপোৱাই হাঁহিবলৈ ধৰিলোঁ। বৰ ভাল লাগিল, বিষাদৰ দুঃচিন্তাবিলাক গাৰপৰা কেনিবাদি আঁতৰি গ'ল। আকৌ মোৰ ভিতৰলৈ নতুন তেজ, সাহ, জীৱনৰ উন্নতিৰ উৎসাহ উভতি আহিল, মই থাকৌ জীৱন পালোঁ।

মোৰ জীৱনৰ শেনেও মূৰৰ ওপৰেদি ঠিক তেনেকৈয়ে উৰিছে, উৰিবলৈ দিয়াঁ।

আমি বাটেদি যুজি যুজি জয়ী হৈ গৈ থাকিম। সকলো বাধাবিঘিনি ভয়ক হাঁহি টিলিকি মাৰি উৰাই দিম।

কুকুৰ।

আমি দুয়ো খোটালীটোৰ ভিতৰতে; মই আৰু মোৰ কুকুৰটো। বাহিৰত ভীষণ ধুমুহা, বতাহৰ হোহোৱনি আৰু মেঘৰ গাজনি।

কুকুৰটোৱে মোৰ আগতে বহি মোৰ মুখৰফালে চাই আছে। মইও তাৰ মুখৰ ফালে চালোঁ, দেখিলোঁ সি যেন মোক কিবা ক'ব খুজিছে। কিন্তু সি কথা ক'ব নেজানে, তাৰ ভাষা নাই; তাৰ মনৰ কথা সি নিজেই নুবুজে—মই হলে তাৰ মনৰ ভাব বুজিব পাৰিছোঁ।

মই বুজিছোঁ যে ঠিক এই মুহূৰ্ত্তে তাৰ আৰু মোৰ মনৰ ভিতৰত একেটা ভাবেই খেলাইছে। আৰু বুজিছোঁ, এই ভাবে মোৰে কোনো প্ৰভেদ নাই। আমি দুয়ো একে, আৰু দুয়োৰো অন্তৰতে একেটি কঁপিথকা দীপশিখাই জ্বলিছে।

মৃত্যুৱে তাৰ হিমবদনে শীতল বহল পাখি দুখনি মেলি দশোদিশ কঁপাই নামি আহিছে।

এইবাৰ সকলো শেষ!

আমাৰ দুয়োৰো ভিতৰত যে কিহৰ দীপ-শিখা জ্বলিছিল তাক কোনে বুজিব?

এই যে আমি দুয়ো দুয়োৰো ফালে চাই আছোঁ, আমি মানুহ আৰু পশু নহওঁ, মাথোন দুটি প্ৰাণী। আৰু যি দুজোৰ চকুৰে দুয়োৰো ফালে চোৱাচুই কৰিছে এই দুজোৰ চকু একে লগৰীয়াৰে চকু।

এই পশু আৰু মানুহৰ ভিতৰৰ একেটি প্ৰাণেই ভয়ত আনটিৰ কাষ চাপি আহিছে।

প্ৰকৃতি।

এদিন অকলে অকলে ফুৰি ফুৰি ভাগৰ লাগিলত জুবাবৰ মনেৰে এটা পৰ্ব্বতৰ কাষতে বহিলোঁগৈ। ভাগৰত চকু দুটা মুদ খাই গৈছিল আৰু কেতিয়া যে টোপনি আহিল মই ক'বই নোৱাৰিলোঁ।

টোপনিতে দেখিলোঁ যে মই পৰ্ব্বতটোৰ ভিতৰলৈ নামি গলোঁ আৰু এটা মন্দিৰৰ সমুখত থিয় হলোঁগৈ। মন্দিৰটোৰ ভিতৰত বৰ বেছি পোহৰ নাই, মাথোন বাট দেখিবৰ কাৰণে অলপমান পোহৰ আছিল।

মন্দিৰৰ ঠিক সোঁমাজতে সেউজীয়া পোচাক পিন্ধি গম্ভীৰ মূৰ্ত্তিৰে এগৰাকী তিৰোতা বহি আছিল। তেওঁ কপালত হাত দি তন্ময় কৰি কিবা এটা বৰ গভীৰ ভাবনাত মগ্ন আছিল।

মই দেখিয়েই বুজিলোঁ যে এই গৰাকী তিৰোতা প্ৰকৃতি-দেবী নিজেই। ভয় আৰু ভক্তিত মোৰ গোটেই অন্তৰআত্মা কঁপি উঠিল।

মই এখুজি দুখুজি কৰি কাষ চাপিলোঁগৈ আৰু এটি সেৱা কৰি কলোঁ "হে বিশ্বজননি! কি এনে গভীৰ চিন্তাত আপুনি আজি মগ্ন আছে? আপুনি কি মানুহ জাতিৰ ভবিষ্যৎ চিন্তাতেই বিভোৰ আছে, নাইবা কেনেকৈ তেওঁবিলাকে নিজৰ সম্পূৰ্ণত্ব উপলব্ধি কৰি জগতত সুখৰ অধিকাৰী হব পাৰিব তাৰ ভাবনাকেই ভাবিছে?"

তেনেতে বাহিৰ পৰা ভয় লগা খঙাল চকুকোণেৰে মোলৈ চাই এজন পৰ্ব্বতে গোটেই মন্দিৰটো প্ৰতিধ্বনিত কৰি মাত লগালে "এটা ডাইৰ পাছ ঠেং দুটা

কিমান শকত হলে সি তাৰ শত্রুৰ হাতৰপৰা পলাই সাৰিব পাৰিব মই অতবেলি তাকে ভাবি আছিলোঁ। আক্রমণ অৰু ৰক্ষাৰ ভিতৰত সামঞ্জস্য নোহোৱাত পৰিছে……এই সামঞ্জস্য পুনৰ ঠিক কৰি দিব লাগিব।" মই আচৰিত হৈ ভয়ে ভয়ে উত্তৰ দিলোঁ "কি আপুনি ইয়াকে ভাবিছে? কিয় আমি মানুহজাতি সকলোতকৈ আপোনাৰ প্রিয়পাত্র আৰু মৰমৰ সন্তান নহওঁ জানো?"

তেখেতে আকৌ এবাৰ মোলৈ থডেৰে চাই উত্তৰ দিলে "সকলো প্রাণীয়েই মোৰ সন্তান, সকলোকে মই একেদৰেই যত্ন কৰোঁ আৰু সকলোকে মই একে দৰেই নাশ কৰোঁ।"

ভয়ত মোৰ মুখৰ মাত নাইকিয়া হ'ল, তথাচ কঁপি কঁপি অসংলগ্ন ভাবেৰে কবলৈ ধৰিলোঁ "কিন্তু, সত্য……মুক্তি……আৰু……।

মোৰ কথাৰ ওৰ নপৰাকৈয়ে তেখেতে আকৌ গহীনাই মাত লগালে "সেই-মোৰ মানুহ জাতিৰ কথা। মই ভাল বেয়া একো নুবুজোঁ, মুক্তি মোৰ ওচৰত একো নিয়ম নহয় আৰু ন্যায়েই বা কি?—মই তোমাক জীৱন দিছোঁ, আৰু মই কাঢ়ি লৈ যাম; তাক হয়তো মই অকণ পোক পৰুৱা বা মানুহক দিমগৈ। মই কাকৈকো ভয় নকৰোঁ। তুমি তোমাৰ নিজৰ কাম কৰাগৈ মোৰ কামত আহি বাধা নিদি-বাহি।"

মই আকৌ কিবা এটা উত্তৰ দিব খুজিছিলোঁ………কিন্তু মন্দিৰৰ ভিতৰত এটা বৰ ভয়ৰ শব্দ হ'ল আৰু গোটেইটো পৰ্ব্বত কঁপিবলৈ ধৰিলে।…মই সাৰ পাই উঠিলোঁ।

শ্রীযতীন্দ্রনাথ দুৱৰা।

বাছনি।

প্রিয়তম! অতীতৰ বিষাদ আৰু ভৱিষ্যতৰ ভয় দূৰ কৰা মোৰ এই জীৱন-পাত্রটি আজিয়েই ভৰাই দিয়া।—কালিলৈ, কিয়?—কালিলৈ হয়তো মই নিজেই হাজাৰ হাজাৰ বছৰ পিছৰ অতীতৰ বুকুত লয় যোগাম তাক কোনে কব পাৰে?

***

প্রত্যেক দিনৰ পাছতেই ৰাতি আছে; প্রত্যেক ৰাতিৰ শেষতেই পোহৰে দেখা দিয়েহি; এই দৰেই আন্ধাৰ আৰু পোহৰৰ মাজেদি সময় পাখি-লগা কাঁড়ৰ দৰে অবিৰাম গতি ধৰি উৰি গৈ আছে।

***

নিজ নিজ জীৱনৰ টোপোলাটো সময় থাকোঁতেই আগেয়ে গোমধানেৰে ভৰাই থোৱাঁ, নহলে পাছত সি তুঁহ পতানেৰে আপোনাআপুনি ভৰি পৰিব।

***

আনক সান্ত্বনা দিলে তুমি নিজেও শান্তি পাবা, আনক তুলি ধৰিলে তুমি নিজেও গাত বল পাবা, আনক মৰম কৰিলে তুমি নিজেও মৰম পাবা।

***

ব্যৱহাৰতহে মানুহৰ সক বৰ চিনিব পাৰি; ধন সম্পত্তিত নহয়।

***

সন্ধিয়া বেলিকা তৰনী পৃথিবীখনিৰপৰা পোহৰ কাঢ়ি লৈ দিনে আঁতৰি যোৱা দেখি বেজাৰতে তলমূৰ কৰি বহি আছিলোঁ। এনেদৰে বেজাৰ কৰি থাকোঁতে দেখিলোঁ যে পূৱা পুব ফালে আকাশখনি আকৌ হেঙুলী বৰণেৰে ৰাঙলী হৈ পৰিল।

***

সংসাৰত কোনো কামেই বিফলে নেযায়; ভালেই হওক বা বেয়াই হওক নিশ্চয় সি এঠাইত নহয় এঠাইত কোনো চিন থৈ যাব।

***

অকণমান কলা ডাৱৰেই সূৰ্য্যৰ কিৰণক ঢাকি পেলাব পাৰে; সূতা এডালি ছিগিলেই মুকুতা মালাধাৰিৰ মুকুতাবোৰ সৰি পৰে; এটা বেয়া ভাবনাই গোটেই আত্মাকে কলুষিত কৰে আৰু এষাৰি কথাই এখনি হিয়াকো ভাঙ্গিব পাৰে।

***

আনে তোমাক যেনেকুৱাটি বিচাৰে তুমি যদি তেনেকুৱাটি হব নোৱাৰা তেন্তে আনক নো তুমি তোমাৰ মনৰ দৰে পাবলৈ কেনেকৈ আশা কৰা?

***

জীৱনত কেতিয়াও এটিও সৰু কামকো বাদ দি নেযাবা; আন কি পিয়াহত নলগা মানুহকো পানী এটোপা দিব লগীয়া হলে দি থৈ যাবা।

যি সংযম আৰু নিয়মৰ বাটেদি যাওঁতে মূৰ্চ্ছা নেযায় তেওঁৱেই জীৱনৰ সাগৰ-খনি পাৰ হৈ দুখ কষ্টৰ ওৰ পেলাব পাৰে।

•••

মানুহ মাত্ৰেই ভাল কাম কৰিবলৈ ইচ্ছা কৰে কিন্তু এশৰ ভিতৰত এজনেও আচল বাটটো ঠিক কৰি উলিয়াই সেই পিনে যাব নেজানে, কোনো মানুহেই বেয়া কাম কৰি ভাল নেপায়, কাৰণ পৃথিবীখন ঈশ্বৰে সৃজন কৰিছে।

•••

আমি জীৱনত দুখ সুখেৰে বোৱা কাপোৰখনিকে গাত লৈ ফুঁৰো; আৰু সকলো দুখ কষ্টকে এড়ানি আনন্দৰ সুতাৰে গাঁথি থৈছে।

•••

ৰাতিয়ে আকাশৰ তৰাৰপৰা পোহৰ আনি আৰু পৃথিবীৰ ফুলৰপৰা সুগন্ধ নি জগতৰ সকলোকে বিলাই দিয়ে। পোহৰ আৰু সৌৰভেই জীৱনত পৰীক্ষাৰ পুৰস্কাৰ।

•••

জীৱন ফুলনিত চেনেহ-ফুলপাহীয়েই সকলোতকৈ শুৱনি আৰু সুগন্ধি। ইয়াৰ সৌৰভ সৰগ মৰত গোটেই বিয়াপি পৰে।

•••

চেষ্টা নকৰি কৃতকাৰ্য্য হোৱাতকৈ চেষ্টা কৰি কৃতকাৰ্য্য নোহোৱাটেই বেছি প্ৰশংসনীয়।

•••

আমৰ জীৱনৰ কাম সমুখতহে, পিছত নহয়

•••

যি তুমি দান কৰা সেয়েহে তোমাৰ নেহেৰোৱা সম্পত্তি।

•••

সংসাৰত সুখেৰে ৰংমনে থাকি নিজ নিজ কাম সমাধা কৰি একোলৈকে ভয় নেৰাখি গছৰ ছাঁত বহি বহি গান গাই গাই জীৱনৰ বাটেদি হাঁহিমুখে গৈ থকাই আমাৰ কৰ্ত্তব্য।

"বন্ধু।"